www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, NOVEMBER 11, 2024 ■ সোমবাৰ, ২৫ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ছিদ্দিকি হত্যা, আৰু এজন গ্ৰেপ্তাৰ

**মুম্বাই, ১০ নৱেম্বৰঃ** ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টিৰ নেতা বাবা ছিদ্দিকীৰ হত্যাৰ গোচৰত পুনৰ এজনক ৬ পৃষ্ঠাত চাওক

# জনজাতিকৰণক লৈ মিথ্যাচাৰ! উজনিত জ্বলিছে ক্ষোভৰ জুই

**ই-সংবাদ, ডুমডুমা, ১০ নৱেম্বৰঃ** ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক লৈ কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে অতি শেহতীয়াকৈ কৰা টুলুঙা তথা দায়সৰা মন্তব্যৰ পিছতে ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰসংগক লৈ উজনিৰ তিনিচুকীয়া-ডিব্ৰুগড় জিলাত এক প্ৰকাৰৰ ক্ষোভৰ উদ্গীৰণ ঘটাৰ সময়তে কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰৰ



বিৰুদ্ধে এক প্ৰকাৰ সোচ্ছাৰ হৈ পৰিছে অসমৰ আদিম ভূমিপুত্ৰ মৰাণ-মটক জনগোষ্ঠীৰ শীৰ্ষ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন। জনজাতিকৰণৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে যৌথভাৱে কালি বিয়লি তিনিচুকীয়াত এক সংবাদমেল আয়োজন কৰি চৰকাৰৰ প্ৰতাৰণা-প্ৰৱঞ্চনাৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰাৰ কথা ঘোষণা শেষাংশ ৭ পৃষ্ঠাত

## পুনৰ ৰক্তাক্ত জম্মু-কাশ্মীৰ, এজন জোৱান শ্বহীদ

**শ্ৰীনগৰ, ১০ নৱেম্বৰঃ** পুনৰ ৰক্তাক্ত হৈ পৰিছে জম্মু-কাশ্মীৰ। কেন্দ্ৰীয় শাসিত প্ৰদেশখনৰ কিস্তৱাৰ নামৰ এক অঞ্চলত শেষাংশ ৩ পৃষ্ঠাত

## চামগুৰিৰ নিৰ্দলীয় প্ৰাৰ্থী মোছাব্বিৰক অপহৰণ-আক্ৰমণ

**ই-সংবাদ, ১০ নৱেম্বৰঃ** উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া মধ্য অসমৰ চামগুৰি বিধানসভা সমষ্টিত অব্যাহত আছে। শেষাংশ ৬ পৃষ্ঠাত

## অভিনৱ প্ৰতিবাদ বিহালী-চামগুৰিত

**ই-সংবাদ, ১০ নৱেম্বৰঃ** এইবাৰৰ উপ-নিৰ্বাচনত বিশেষ অফাৰ দিছে বিজেপিয়ে। এতিয়া নলগোৰা পৰিয়ালৰ ঘৰে শেষাংশ ৪ পৃষ্ঠাত

## কন্যাক পিতৃয়ে কৰিলে অপহৰণ!

**ই-সংবাদ, ১০ নৱেম্বৰঃ** বনকৰা যুৱতীৰ সহযোগত পিতৃয়ে নিজৰে ৫ বছৰীয়া কন্যাক অপহৰণৰ অভিযোগ উত্থাপন হোৱাত শেষাংশ ৬ পৃষ্ঠাত



চামগুৰিত নিৰ্বাচনী হিংসা, নিৰাপত্তা বিচাৰি কংগ্ৰেছৰ প্ৰতিবাদ


## ব্যৰ্থ আৰক্ষী-প্ৰশাসন! চামগুৰিত একপ্ৰকাৰ ৰক্তাক্ত উপ-নিৰ্বাচন

# পশ্চিমবংগ, বিহাৰৰ ৰাজনীতিৰ অসমত প্ৰৱেশ

### ২০২৬ৰ বিধানসভাৰ নিৰ্বাচনতো ব্যাপক হিংসাৰ আশংকা প্ৰকাশ নেটিজেনৰ

ই-সংবাদ বিশেষ, ১০ নৱেম্বৰঃ **ব্যাপক নিৰ্বাচনী হিংসাৰে উত্তেজনাময় হৈ পৰিছে অসমৰ নিৰ্বাচন ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া** শেষাংশ ৫ পৃষ্ঠাত





## থানাৰ সমুখত বহি লৈ ৰকিবুলৰ প্ৰতিবাদ

# চামগুৰিৰ উদমাৰীত দুৰ্বৃত্তই ভাঙিলে কংগ্ৰেছৰ প্ৰাৰ্থী তাঞ্জিলৰ গাড়ী




**ই-সংবাদ, পুৰণিগুদাম, ১০ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ সভ্য সমাজক লজ্জানত কৰি নগাঁও জিলাৰ চামগুৰিত প্ৰতিদিনে সৃষ্টি হৈছে এটাৰ পিছত এটাকৈ নিৰ্বাচনী হিংসাত্মক ঘটনা। নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমুচাপি আহিছে সিমানেই ৰাজনৈতিক দলৰ মাজত নিৰ্বাচনী হিংসা শেষাংশ ৩ পৃষ্ঠাত

## ছবিলৈ ভয়! এবাৰ মচিছিল, এইবাৰ ধৰি লৈ গ'ল

## গছ কটাৰ বিৰুদ্ধে দেৱালত ছবি অংকন কৰা চিত্ৰশিল্পী মাৰ্চেলক আটক

**ই-সংবাদ, ১০ নৱেম্বৰঃ** অসম চৰকাৰ, প্ৰশাসন তথা বিজেপি দলৰ ৰোষত পৰিছে অসমৰ যুৱ চিত্ৰশিল্পী মাৰ্চেল বৰুৱা। বিগত ৯ শেষাংশ ৩ পৃষ্ঠাত



## মুখ্যমন্ত্ৰীয়ে বিচাৰিলে ন্যায়

**ই-সংবাদ, ১০ নৱেম্বৰঃ** ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত ব্যস্ত থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিৰ গুলীচালনা কাণ্ডক লৈ প্ৰতিক্ৰিয়া শেষাংশ ২ পৃষ্ঠাত

## মূল্যবৃদ্ধিক লৈ আছুৰ প্ৰতিবাদ

**ই-সংবাদ, ১০ নৱেম্বৰঃ** ৰাজ্য চৰকাৰ তথা শাসকীয় বিজেপি দল ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ব্যস্ত হৈ থকাৰ সময়তে প্ৰতিবাদ সাব্যস্ত কৰিব সদৌ অসম ছাত্ৰ সন্থাই। মূল্যবৃদ্ধিৰ শেষাংশ ৩ পৃষ্ঠাত

## আজি শপত গ্ৰহণ কৰিব নতুন মুখ্য ন্যায়াধীশে

**নতুন দিল্লী, ১০ নৱেম্বৰঃ** সোমবাৰে দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব ন্যায়াধীশ সঞ্জীৱ খান্নাই। উল্লেখ্য যে, দেওবাৰে অন্ত পৰিছে মুখ্য ন্যায়াধীশ ডি ৱাই শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীয়ে বিচাৰিলে ন্যায়

ব্যক্ত কৰি কংগ্ৰেছক আক্ৰমণ কৰা পৰিলক্ষিত হৈছে। নিজে অসমৰ গৃহমন্ত্ৰীৰ দায়িত্বতো থকা হিমন্ত বিশ্ব শৰ্মাই নিজ দলৰ বিধায়কৰ ওপৰত ফুট গধূলিতে গুলীচালনা কৰাৰ পিছতো কংগ্ৰেছত সমালোচনা কৰি দায়িত্ব সামৰিছে। ৰাজ্যখনত স্থায়ী শান্তি বাহাল হোৱাৰ দাবী কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে আজিও যে দুৰ্বৃত্তৰ হাতত অস্ত্ৰ মজুত আছে সেই কথাক লৈ ঘূণাক্ষৰেও চিন্তা ব্যক্তি নকৰি কেৱল কংগ্ৰেছক সমালোচনা কৰিছে। ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি চিন্তাজনক হৈ উঠাৰ সময়তে কালি নিশা চামগুৰিত সংঘটিত গুলীচালনা কৰাত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযোগ মতে, বিধায়ক জিতু গোস্বামীয়ে পদযাত্ৰা কৰি গৈ থকাৰ সময়ত কংগ্ৰেছৰ সমৰ্থকে শিলগুটি দলিওৱাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত দুষ্কৃতিকাৰীয়ে গুলীবৰ্ষণ কৰে। দুয়োপক্ষৰ কেবাজনো লোক হতাহত হৈছে। বিজেপিৰ অভিযোগ মতে, কংগ্ৰেছৰ দ্বাৰা সংঘটিত হৈছে গুলীচালনা। গুলীত আহত কংগ্ৰেছ কৰ্মী ইদ্ৰিছ আলীয়ে জিতু গোস্বামীৰ সমৰ্থকে গুলী চলোৱা বুলি অভিযোগ আনে। গুলীচালনাৰ ঘটনাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি গৰিহণা দিছে। মুখ্যমন্ত্ৰীয়ে কয় "মাননীয় বিধায়ক শ্ৰীজিতু গোস্বামী ডাঙৰীয়াক চামগুৰিত কংগ্ৰেছৰ সমৰ্থকে কৰা আক্ৰমণক তীব্ৰ গৰিহণা দিছো। এই একেই কংগ্ৰেছে সংবিধান সুৰক্ষা তথা সংবিধানক গৌৰৱেৰে মানি চলাটো দেখুৱায়। অথচ তেওঁলোকে আমাৰ কাৰ্যকৰ্তাসকলক আন্ধাৰৰ সুযোগ লৈ আক্ৰমণ কৰি হিংসাৰ আশ্ৰয় লৈছে আৰু সংবিধান উলংঘা কৰিছে। প্ৰকৃত প্ৰশ্নটো হ'ল, এই উপ-নিৰ্বাচনতে কংগ্ৰেছে ইমান ভয় খাইছে কিয়? আচলতে কেৱল পৰাজয়ৰ ভয়েই নহয়, তেওঁলোকৰ যিটো ভোটৰ মূল বেংক, সেই ভোটবেংক ধৰি ৰখাৰ বাবেই তেওঁলোক এনে চৰম পৰ্যায়লৈ গৈছে। আমি ন্যায় পাব লাগিব আৰু আমি কাকো আমাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোক ভেঙুচালি বা ক্ষতিগ্ৰস্ত কৰিবলৈ নিদিও।" ইপিনে বিজেপিৰ সভাপতি ভবেশ কলিতাই ৰকিবুল হুছেইনক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছে। ভবেশ কলিতাই কয় যে  সকলো কথা গণতান্ত্ৰিক প্ৰক্ৰিয়া হ'ব লাগে। পঞ্চায়ত, পৌৰ নিগমৰ পৰা আৰম্ভ কৰি বিভিন্ন নিৰ্বাচনত বিভিন্ন দল-সংগঠন, নিৰ্দলীয়ই অংশ গ্ৰহণ কৰে। কিন্তু চামগুৰিত অন্য এটা পৰিৱেশ দেখিবলৈ পাও। অসমৰ কোনো সমষ্টিত হিংসা নহয় কিন্তু চামগুৰিত ব্যাপক হিংসা হয়। উপ-নিৰ্বাচনতো এনে পৰিস্থিতি দেখা পালো। কলিতাই ৰকিবুল হুছেইনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে ধুবুৰীৰ সাংসদ তথা চামগুৰিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইনে প্ৰতিটো নিৰ্বাচনতে হিংসাৰ সৈতে নিজেই জড়িত হৈ পৰে। তাৰ জ্বলন্ত উদাহৰণ আমি পাই আহিছো। পুত্ৰ তাঞ্জিল হুছেইনক অৱতীৰ্ণ কৰি হিংসাত্মক কাৰ্যত লিপ্ত হৈ পৰিছে এয়া গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে শুভলক্ষণ নহয়। অসমৰ মানুহে এনে ব্যৱস্থাক কেতিয়াও বিশ্বাস নকৰে। ৰকিবুল হুছেইনৰ এনে কাণ্ডত ধিক্কাৰ দিছো। ভয়-ভাবুকিৰে ভোট আদায় কৰাৰ যি প্ৰয়াস কৰিছে। সেই ভয়-ভাবুকিৰ দ্বাৰা ভোট আদায়ৰ চেষ্টা এৰিব লাগে। এতিয়া মানুহে ভয়-ভাবুকিক ভয় নকৰে। জিতু গোস্বামীয়ে পথ যাত্ৰা কৰি থকাৰ সময়ত গুলীচালনা কৰা হৈছে। এই কাণ্ডৰ বাবে ৰকিবুল হুছেইনক গ্ৰেপ্তাৰ কৰিব লাগে। ৰকিবুল হুছেইনৰ প্ৰৰোচনাত এনে ঘটনা সংঘটিত হৈছে। প্ৰশাসনে সমস্ত ঘটনা এৰি দিছো। প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰক বুলিও কয় কলিতাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি শপত গ্ৰহণ কৰিব নতুন

চন্দ্ৰচূড়ৰ কাৰ্যকাল। ইয়াৰ পিছতে তেওঁৰ ঠাইত সোমবাৰে দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হ'ব ন্যায়াধীশ সঞ্জীৱ খান্না। উচ্চতম ন্যায়ালয়ৰ বহু ঐতিহাসিক ৰায়দানৰ অংশ হিচাপে থকা ন্যায়াধীশ সঞ্জীৱ খান্নাক ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এক অনুষ্ঠানত সোমবাৰে পুৱা ১০ বজাত মুখ্য ন্যায়াধীশৰ শপত বাক্য পাঠ কৰাব ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। উল্লেখ্য যে, মুখ্য ন্যায়াধীশৰূপে সঞ্জীৱ খান্নাৰ কাৰ্যকাল হ'ব ২০২৫ চনৰ ১৩ মে'লৈকে। ১৬ অক্টোবৰত মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ পৰামৰ্শ অনুসৰি ২৪ অক্টোবৰত ন্যায়াধীশ খান্নাৰ নিযুক্তিৰ বিষয়ে কেন্দ্ৰই আনুষ্ঠানিকভাৱে অৱগত কৰিছিল। শুকুৰবাৰে আছিল ন্যায়াধীশ চন্দ্ৰচুদৰ মুখ্য ন্যায়াধীশ হিচাপে শেষ কৰ্মদিন। প্ৰণিধানযোগ্য যে, ২০১৯ চনৰ জানুৱাৰী মাহৰ পৰা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ইভিএমৰ বিশ্বাসযোগ্যতা বজাই ৰখা, নিৰ্বাচনী বণ্ড আঁচনি বাতিল কৰা, ৩৭০ নং অনুচ্ছেদ আঁতৰোৱা, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান আদি উচ্চতম ন্যায়ালয়ৰ বহু গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ অংশ আছিল। দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ দেৱৰাজ খান্নাৰ পুত্ৰ আৰু উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ এইচ আৰ খান্নাৰ ভতিজা ন্যায়াধীশ সঞ্জীৱ খান্নাক ২০১৯ চনৰ ১৮ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। উল্লেখ্য যে, তেওঁৰ খুৰাক ন্যায়াধীশ এই আৰ খান্নাই ১৯৭৬ চনত জৰুৰীকালীন অৱস্থাত এডিএম জবলপুৰ গোচৰত মতানৈক্যপূৰ্ণ ৰায় লিখি পদত্যাগ কৰাৰ বাবে বাতৰিৰ শিৰোনাম দখল কৰিছিল। জৰুৰীকালীন সময়ত মৌলিক অধিকাৰ উলংঘা কৰাটো সমৰ্থন কৰা সংবিধান বিচাৰপীঠৰ সংখ্যাগৰিষ্ঠতাৰ সিদ্ধান্তক ন্যায়পালিকাৰ ক'লা দাগ বুলি গণ্য কৰা হৈছিল। ন্যায়াধীশ এইচ আৰ খান্নাই এই পদক্ষেপক অসাংবিধানিক আৰু আইনৰ শাসনৰ বিৰুদ্ধে বুলি অভিহিত কৰিছিল। ১৯৭৩ চনৰ কেছৱানন্দ ভাৰতী গোচৰত সংবিধানৰ মৌলিক গাঁথনি নীতিৰ প্ৰস্তাৱ দিয়া ঐতিহাসিক ৰায়ৰ অংশ আছিল ন্যায়াধীশ এইচ আৰ খান্না। ইফালে ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত গঠিত বিচাৰপীঠে যোৱা ২৬ এপ্ৰিলত ইভিএমৰ হেতালি খেলাৰ আশংকাক ভিত্তিহীন বুলি অভিহিত কৰিছিল আৰু পুৰণি বেলট ব্যৱস্থালৈ ঘূৰি অহাৰ দাবী নাকচ কৰিছিল। ৰাজনৈতিক দলসমূহৰ বিত্তীয় সাহায্যৰ বাবে ৰচনা কৰা নিৰ্বাচনী বণ্ড আঁচনিখনক অসাংবিধানিক বুলি ঘোষণা কৰা পাঁচজনীয়া ন্যায়াধীশৰ বিচাৰপীঠৰো অংশ আছিল তেওঁ। তদুপৰি পূৰ্বৰ জম্মু-কাশ্মীৰ ৰাজ্যক বিশেষ মৰ্যাদা প্ৰদান কৰা সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিলৰ কেন্দ্ৰই ২০১৯ চনত লোৱা সিদ্ধান্তক সমৰ্থন কৰা পাঁচজনীয়া বিচাৰপীঠৰ অংশ আছিল ন্যায়াধীশ খান্না। একেদৰে প্ৰথমবাৰৰ বাবে ন্যায়াধীশ খান্নাৰ নেতৃত্বত থকা বিচাৰপীঠে আবকাৰী নীতি কেলেংকাৰীৰ গোচৰত লোকসভা নিৰ্বাচনত প্ৰচাৰ চলাবলৈ ১ জুনলৈকে তদানীন্তন মুখ্যমন্ত্ৰী কেজৰিৱালক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছিল। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা সঞ্জীৱ খান্নাই দিল্লী বিশ্ববিদ্যালয়ৰ কেম্পাছ ল চেণ্টাৰৰ পৰা আইন অধ্যয়ন কৰিছিল। ন্যায়াধীশ খান্না ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰো ভাৰপ্ৰাপ্ত অধ্যক্ষ। ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে নামভৰ্তি কৰি প্ৰথমে ইয়াৰ তিছ হাজাৰী কমপ্লেক্সৰ জিলা আদালতত আৰু পিছলৈ দিল্লী উচ্চ ন্যায়ালয়ত কৰ্মজীৱন আৰম্ভ কৰিছিল। অন্যহাতে আয়কৰ বিভাগৰ জ্যেষ্ঠ স্থায়ী অধিবক্তা হিচাপে তেওঁৰ কাৰ্যকাল আছিল দীৰ্ঘদিনীয়া। ২০০৪ চনত দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ভূখণ্ডৰ ষ্টেণ্ডিং কাউন্সেল (চিভিল) হিচাপে নিযুক্তি লাভ কৰে। ন্যায়াধীশ খান্নাই দিল্লী উচ্চ ন্যায়ালয়ত অতিৰিক্ত চৰকাৰী অভিযুক্ত আৰু এমিকাছ কুৰিয়া হিচাপেও কেইবাটাও অপৰাধমূলক গোচৰত আদালতক সহায় কৰিছিল। এনেদৰে এতিয়া কাইলৈ দেশে লাভ কৰিব নতুন মুখ্য ন্যায়াধীশ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ ৰক্তাক্ত জম্মু-কাশ্মীৰ, এজন

দেওবাৰে উগ্ৰপন্থীৰে সংঘৰ্ষত প্ৰাণ হেৰুৱায় পুনৰ এগৰাকী সেনা জোৱানে। আনহাতে এই সংঘৰ্ষকালত আন তিনিজন ভাৰতীয় সেনা জোৱান গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দেওবাৰে সন্ধিয়া সেনাই এক বিবৃতিযোগে প্ৰকাশ কৰা মতে, কিস্তৱাৰৰ ভৰত ব্ৰীজৰ উগ্ৰপন্থীৰ আক্ৰমণত শ্বহীদ হয় সেনা জোৱানগৰাকী। নিহত জোৱানগৰাকীৰ নাম ৰাকেশ কুমাৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ভাৰতীয় সেনাবাহিনীত কনিষ্ঠ কমিচনেড অফিচাৰ (জেচিঅ') নাইব চুবেদাৰ পদত কাৰ্যনিৰ্বাহ কৰি আছিল ৰাকেশ কুমাৰে। সেনা জোৱানজনৰ মৃত্যুত শোক প্ৰকাস কৰিছে ভাৰতীয় সেনাই। দেওবাৰে পুৰা কিস্তৱাৰৰ বনাঞ্চলত ভাৰতীয় সেনা আৰু ১১ ৰাষ্ট্ৰীয় ৰাইফলৰ যৌথ অভিযান আৰম্ভ হয়। মন কৰিবলগীয়া যে, যোৱা ৮ নৱেম্বৰত এই অঞ্চলতে উদ্ধাৰ হৈছিল দুজন গাঁও সুৰক্ষা বাহিনীৰ জোৱানৰ গুলীবিদ্ধ মৃতদেহ। শনিবাৰে সেনাই গোপন সূত্ৰৰ ভিত্তিত কিস্তৱাৰৰ ঘন অৰণ্যত আত্মগোপন কৰি থকা উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান চলায়। এই সময়ছোৱাত উগ্ৰপন্থী আৰু নিৰাপত্তাৰক্ষীৰ প্ৰচণ্ড গুলীয়াগুলিত এগৰাকী সেনা জোৱান নিহত হোৱাৰ লগতে আন তিনিগৰাকী গুৰুতৰভাৱে আহত হয়। লক্ষণীয় যে, শেহতীয়াকৈ অনুষ্ঠিত হোৱা জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ পিছতে অঞ্চলটোত বৃদ্ধি পাইছে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ। এনে পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদক লৈ চিন্তিত হৈ পৰিছে জম্মু-কাশ্মীৰৰ নতুন চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰো। যোৱা সপ্তাহত আখনুৰত সেনাবাহিনীৰ এম্বুলেন্সত আক্ৰমণ সংঘটিত হৈছিল। শেহতীয়াকৈ গুলমাৰ্গত সেনাবাহিনীৰ এখন বাহনত আক্ৰমণ সংঘটিত কৰে সন্ত্ৰাসবাদীয়ে। ইফালে সোণমাৰ্গৰ সমীপত উগ্ৰপন্থীয়ে নিৰস্ত্ৰ সাধাৰণ নাগৰিককো আক্ৰমণৰ পোহৰলৈ অহাৰ পিছতে পুনৰ উত্তেজনাই বিৰাজ কৰিছে জম্মু-কাশ্মীৰত। সেই আক্ৰমণত এগৰাকী চিকিৎসককে ধৰি ৭ জনৰ মৃত্যু ঘটে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিৰ উদমাৰীত দুৰ্বৃত্তই ভাঙিলে

বাঢ়ি অহা পৰিলক্ষিত হৈছে। চামগুৰি উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি প্ৰতিদিনে সৃষ্টি হৈছে এটাৰ পিছত এটাকৈ নিৰ্বাচনী হিংসাত্মক ঘটনা। কংগ্ৰেছ দলে আজি নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ যোৱা অৱস্থাত নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত উদমাৰী অঞ্চলত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী তাঞ্জিল হুছেইন যোৱা এ-এছ-০১-বি-কে-৬৭৮১ নম্বৰৰ ইনো'ভা গাড়ীখনত কোনো দুষ্কৃতিকাৰীয়ে শিলগুটি নিক্ষেপ কৰি গাড়ীখনৰ পিছফালৰ আইনা ভাঙে বুলি অভিযোগ উত্থাপন কৰিছে। জানিব পৰা মতে, চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনে আজি দিনৰ ভাগত উদমাৰী অঞ্চললৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত যোৱাৰ সময়তে চাৰি-পাঁচজনীয়া এটা দুৰ্বৃত্তৰ দলে তাঞ্জিল হুছেইনৰ গাড়ীখনত শিলগুটি নিক্ষেপ কৰি গাড়ীখনৰ বিস্তৰ ক্ষতিসাধন কৰে। পৰৱৰ্তী সময়ত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে চামগুৰি আৰক্ষী থানাত উক্ত নিৰ্বাচনী হিংসাত্মক ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে আৰু ঘটনাৰ লগত জড়িত ব্যক্তিক চিনাক্ত কৰি শাস্তি বিহিবলৈ দাবী জনায়। আনহাতে, চামগুৰি সমষ্টিৰ অন্তৰ্গত উদমাৰীত কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ গাড়ী ভঙাৰ প্ৰতিবাদত চামগুৰিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন, ৰূপহীহাটৰ বিধায়ক নুৰুল হুদা, কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন প্ৰমুখ্যে কংগ্ৰেছ দলৰ কৰ্মী-সমৰ্থকসকলে চামগুৰি আৰক্ষী থানাৰ সন্মুখত প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছ দলৰ প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী চলি থকাৰ সময়তে বিজেপি দলৰ কেইবা শতাধিক কৰ্মী সমৰ্থক চামগুৰি আৰক্ষী থানাৰ সন্মুখত উপস্থিত হৈ ৰকিবুল হুছেইন 'গ' বেক, তাঞ্জিল হুছেইন 'গ'বেক, পিতা-পুত্ৰ 'গ' বেক আদি ধ্বনি দিয়াৰ লগতে কংগ্ৰেছ কৰ্মীসকলেও বিজেপি মুৰ্দাবাদ, ৰকিবুল হুছেইন জিন্দাবাদ আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰায় দুঘণ্টা ধৰি চামগুৰি আৰক্ষী থানাৰ সন্মুখত দুয়োটা ৰাজনৈতিক দলৰ কৰ্মী আৰু সমৰ্থকে পৰিৱেশ একপ্ৰকাৰ সম্পূৰ্ণৰূপে উত্তপ্ত কৰি তোলে। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ জোৱান উপস্থিত হৈ দুয়োটা ৰাজনৈতিক দলৰ কৰ্মী আৰু সমৰ্থকক তাৰ পৰা আঁতৰাই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মূল্যবৃদ্ধিক লৈ আছুৰ প্ৰতিবাদ

বিৰুদ্ধে ছাত্ৰ সংগঠনটোৱে সাব্যস্ত কৰিব এই প্ৰতিবাদ। এই অনুযায়ী ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি আছুৱে দাহ কৰিব যোগান মন্ত্ৰী ৰণজিৎ দাসৰ প্ৰতিকৃতি। মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনাব আছুৱে। উল্লেখ্য যে, ৯ নৱেম্বৰত আছুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহকত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লৈছিল। কাৰ্যনিৰ্বাহকত আছুৱে মূল্যবৃদ্ধিৰ বিৰুদ্ধে বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লয়। উক্ত সিদ্ধান্ত অনুযায়ী ছাত্ৰ সংগঠনটোৱে ১১ নৱেম্বৰ আৰু ২০ নৱেম্বৰত প্ৰতিবাদ সাব্যস্ত কৰিব। ১১ নৱেম্বৰত প্ৰতিখন আঞ্চলিকে যোগান মন্ত্ৰী ৰণজিৎ দাসৰ পুত্তলিকা দাহ কৰিব। ২০ নৱেম্বৰত প্ৰতিখন জিলা সদৰত মূল্যবৃদ্ধি ৰোধৰ বাবে বিক্ষোভ প্ৰদৰ্শন কৰিব আছুৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গছ কটাৰ বিৰুদ্ধে দেৱালত ছবি

ছেপ্টেম্বৰত গিবন অভয়াৰণ্য ৰক্ষাৰ দাবীত গণেশগুৰি সেঁতুৰ দেৱালত হলৌবান্দৰসহ চিত্ৰশিল্পী মাৰ্চেল বৰুৱাই অংকন কৰা চিত্ৰ নিশাৰ ভিতৰতে গুৱাহাটী প্ৰশাসনে মচি পেলাইছিল। এইবাৰ গুৱাহাটী মহানগৰীৰ গছ ৰক্ষাৰ বাবে দেৱালত ছবি অংকন কৰাত চিত্ৰশিল্পী মাৰ্চেল বৰুৱাক গ্ৰেপ্তাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে। একপ্ৰকাৰ চৰকাৰে দেৱালৰ চিত্ৰক লৈ আতংকিত হৈ পৰিছে। এবাৰ চিত্ৰ মচি আৰু এইবাৰ দেৱালত অংকন কৰাৰ বাবে চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰি বিতৰ্কত সোমাই পৰিছে বিজেপি দল, ৰাজ্য প্ৰশাসন আৰু অসম চৰকাৰ। দেৱালত আঁকা ছবিক ভয় কৰিবলৈ আৰম্ভ কৰা দিছপুৰৰ চৰকাৰে সেঁতু নিৰ্মাণৰ নামত কাটিব খোজা গুৱাহাটী মহানগৰীৰ গছসমূহৰ ৰক্ষাৰ বাবে দেৱালত প্ৰতীকাত্মক আঁকা চিত্ৰৰ বাবে শিল্পীক সহ্য কৰিব নোৱাৰা হৈছে। যাৰ বাবে এজন চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰা হৈছে। জানিব পৰা মতে, কালি নিশা ভৰলুমুখত মাৰ্চেল বৰুৱা আৰু কেইজনমান সহযোগীয়ে এখন ছবি অংকন কৰে। এই ছবিখনৰ জৰিয়তে সেঁতু নিৰ্মাণৰ নামত ভৰলুমুখৰ গছ কাটিব খোজা কাৰ্যৰ বিৰোধ কৰে। এই চিত্ৰখনত এটা শব্দ 'কিক হিমন্ত ছেভ নেচাৰ' লিখা আছিল। পুৱতি নিশা এই ফটো পোহৰলৈ অহাৰ পাছতে পুৱাই চিত্ৰশিল্পী মাৰ্চেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক গ্ৰেপ্তাৰ কৰে। পুৱা ভৰলুমুখ আৰক্ষীয়ে মাৰ্চেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক গ্ৰেপ্তাৰ কৰি ভৰলুমুখ আৰক্ষী থানাত বন্দী কৰে। ভৰলুমুখ আৰক্ষী থানাত লগে লগে নিৰাপত্তা বৃদ্ধি কৰি মানুহৰ আহ-যাহ বন্ধ কৰা হয়। চিত্ৰশিল্পী মাৰ্চেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইনে সাক্ষাৎ কৰিব গৈছিল যদিও আৰক্ষীয়ে থানাত প্ৰৱেশ কৰিব নিদিলে। এগৰাকী চিত্ৰশিল্পীক এনেদৰে গ্ৰেপ্তাৰ কৰাৰ খবৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সামাজিক মাধ্যমযোগে শ-শ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰে দীঘলীপুখুৰীৰ দৰেই ভৰলুমুখত সেঁতু নিৰ্মাণৰ নামত ৮০ জোপা পুৰণি গছ কাটিব খুজিছে বুলি অভিযোগ কৰি সেয়া কৰিবলৈ দিয়া নহ'ব বুলিও হুংকাৰ দিয়ে। ইতিমধ্যে স্থানীয় ৰাইজে বাৰে বাৰে প্ৰতিবাদ কৰি গৈছে। কিন্তু চৰকাৰে গছ কাটিবলৈ বদ্ধপৰিকৰ হৈ পৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনৱ প্ৰতিবাদ বিহালী-চামগুৰিত

ঘৰে গৈ স্মাৰ্ট মিটাৰ লগাই দিব। আলু-পিঁয়াজৰ দাম বঢ়াই দিব। ৭০ টকাৰ আলু ১০০ টকা কৰি দিব। ৪০০ টকাৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ ১১০০ টকা কৰি দিব। এই অফাৰসমূহৰ বাবে উপ-নিৰ্বাচনত চামগুৰি আৰু বিহালীৰ ৰাইজে বিজেপিক ভোট দিয়ক। এই দাবী উত্থাপন কৰি ৰাজপথত ভোটভিক্ষা কৰিছে কেইজনমান লোকে। এই লোককেইজনে হাতত এখন বিশেষ বেনাৰ লৈ চামগুৰি বজাৰ আৰু বিহালী আৰক্ষী থানাৰ সমীপত বিজেপিৰ হৈ ভোট ভিক্ষা কৰিছে। বাটৰ নাট কৰাৰ দৰেই ৰাজহুৱা স্থানত থিয় হৈ বিজেপিক ভোট দিলে কেনেদৰে উপকৃত হ'ব সেই কথা ৰাইজক বুজনি দিছে। মিঠাতেলৰ বটলক মাইক্ৰ'ফোন সজাই ৰাইজক সম্বোধন কৰি লোককেইজনে কয় যে ৰাইজ শুনক শুনক আৰু শুনক। বিজেপিয়ে বহুত ভাল কাম কৰিছে। বিজেপি আমাক স্মাৰ্ট মিটাৰ লগাই দিছে। ২০ টকাৰ আলু-পিঁয়াজ ৭০ টকা কৰি দিছে। ৭০ টকাৰ মিঠাতেল ২০০ টকাত দিছে, অনুসূচিত জাতিৰ মাছমৰীয়াৰ ভাট্টা বন্ধ কৰি দিছে। অনুসূচিত জাতিক মাটিৰ পট্টা দিয়া নাই। সকলো খাদ্য-সামগ্ৰীৰ দাম বৃদ্ধি কৰি দিছে। সেয়েহে ইমানখিনি অফাৰ দিয়া বিজেপিক চামগুৰি সমষ্টি আৰু বিহালী সমষ্টিত ভোট দিয়ক। তেতিয়া বিজেপিয়ে আৰু দুগুন উৎসাহেৰে আপোনোলাকক অফাৰ দি যাব। প্ৰকৃততে চামগুৰি আৰু বিহালী সমষ্টিৰ অনুসূচিত জাতিৰ লোকক সজাগ কৰিবলৈ এয়া আছিল এক পথৰ সজাগতা সভাহে। প্ৰতীকী ৰূপত শাসকীয় দলক আক্ৰমণ কৰি বিজেপিক বিফল হোৱাৰ অভিযোগ আনে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ আৰু কেইজনমান সমাজকৰ্মীয়ে পথত ৰাইজক সজাগ কৰিবলৈ প্ৰয়াস কৰিছে। আজি দিনৰভাগত চামগুৰি বজাৰ আৰু বিহালী আৰক্ষী থানাৰ সমীপত সঞ্জীৱ দাস, দুলাল বৰা, বিৰিঞ্চি বৰাৰ উপস্থিতিত এনে ব্যতিক্ৰমী তথা অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। অসম অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস এই প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি কয় যে এইখন চৰকাৰৰ দিনত অনুসূচিত জাতিৰ লোক সুৰক্ষিত নহয়। এইখন চৰকাৰৰ দিনত ছয়মাহৰ ভিতৰত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ পৰা ১৪০ কোটি টকা নোহোৱা হৈছে। অনুসূচিত জাতিৰ লোক হৈও মন্ত্ৰী পীযুষ হাজৰিকাই মাত নামাতিলে। বিহালী সমষ্টিৰ কথা উল্লেখ কৰি দাসে কয় যে বিহালী সমষ্টিৰ অনুসূচিত জাতিৰ লোকক মাটি পট্টা দিয়া নহ'ল। বিহালী সমষ্টিতে ৰাজ্যৰ ভিতৰতে বেছি অনুসূচিত জাতিৰ মাছমৰীয়া আছে। এই মাছমৰিয়াসকলক পূৰ্বে বিশেষ ভাট্টা দিয়া হৈছিল। কিন্তু অনুসূচিত জাতিৰ মাছমৰীয়াৰ ভাট্টা বন্ধ কৰা হৈছে। এইবোৰ কথাত মুখ্যমন্ত্ৰী আৰু পীযুষ হাজৰিকাই মাত নামাতে। উপ-নিৰ্বাচন অহাৰ লগে লগে দিছপুৰখন উঠি আহিছে। কিন্তু একেলগে থকা ১০ হাজাৰ লোকক মাটিৰ পট্টা দিব নোৱাৰিলে। ডি-ভোটাৰ হৈ আছে সেই সমস্যা সমাধান নকৰিলে। ভোট লাগে। কিন্তু অনুসূচিত জাতিৰ কাম নকৰে। অনুসূচিত জাতিৰ লোকৰ বাবে অহা টকা মুখ্যমন্ত্ৰী আৰু পীযুষ হাজৰিকাই কেইজনমান ঠিকাদাৰৰ দ্বাৰা হৰলুকি কৰিলে। বিহালী সমষ্টিৰ ৰাইজে মুখ্যমন্ত্ৰী আৰু পীযুষ হাজৰিকাই প্ৰশ্ন কৰক অনুসূচিত জাতিৰ ১৪০ কোটি কোনে খালে। অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ টকা কোনে খালে। ভূমিপট্টা, মাছমৰীয়াৰ ভাট্টা কোনে খায় আছে সেই প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰক। সঞ্জীৱ দাসে অনুসূচিত জাতিৰ লোকসকল বিজেপি বিৰোধী বুলি দাবী কৰি কয় যে বিজেপিয়ে অনুসূচিত জাতিক ঠগ-প্ৰৱঞ্চনা কৰিছে। আঁচনিৰ টকাৰ অপব্যৱহাৰ কৰিছে। সমাজকৰ্মী বিৰিঞ্চি বৰাই নিজকে বিজেপি নেতাৰ বুলি পৰিচয় দি কয় যে ভাৰতীয় জনতা পাৰ্টীক ভোট দিবলৈ কবৰ বাবে আমি বিহালীলৈ আহিছো। উপ-নিৰ্বাচনৰ পাৰ হৈ যোৱাৰ পাছতে আমি জয়ী হ'লে যিসকলৰ ঘৰত এতিয়ালৈ স্মাৰ্ট মিটাৰ লগা নাই সেইসকলৰ ঘৰে ঘৰে গৈ আমি স্মাৰ্ট মিটাৰ লগাই দিম। বৰ্তমান ৭০ টকা হৈ থকা আলু-পিঁয়াজৰ দাম ১০০ টকা কৰি দিম। থলুৱাৰ মাটি উচ্ছেদ কৰি মাটিসমূহ আদানিক গতাই দিম। স্কুল বিলাক বন্ধ কৰি ব্যক্তি গত খণ্ডৰ স্কুল খোলাৰ ব্যৱস্থা কৰিম। সন্তানে যদি পঢ়িব নোৱাৰে তেন্তে মুখ্যমন্ত্ৰীৰ পত্নীৰ বাগিচা, ৰিজৰ্টত ৰেটাৰৰ কাম কৰাৰ সুবিধা দিম। লগতে বিৰিঞ্চি বৰাই কয় যে বিজেপিয়ে পূৰ্বে খিলঞ্জীয়া আৰু হিন্দুৰ কথা কৈ ৰাজনীতি কৰিছিল। কিন্তু চামগুৰিত মিঞা মিঞা বুলি কৈ ঠাট্টা কৰা মিঞাৰ ভোট বিচাৰি প্ৰচাৰ কৰিছে। এবিধ বিশেষ মাংস খুৱাই ভোট ভিক্ষা কৰিছে বুলি বিস্ফোৰণ ঘটাই বিৰিঞ্চি বৰাই। হঠাতে বিজেপিৰ বিৰুদ্ধে অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰাত দুয়োটা সমষ্টিত তীব্ৰ চৰ্চা হ'ব ধৰিছে বুলি জানিব পৰা গৈছে।

# গীতালী বৰুৱাৰ 'দাহালথুংগ্ৰি'ৰ বড়ো অনুবাদ উন্মোচন

**ই-সংবাদ, কোকৰাঝাৰ, ১০ নৱেম্বৰঃ** বিশিষ্ট সাহিত্যিক, বিষ্ণু ৰাভা বঁটা প্ৰাপক গীতালী বৰুৱাৰ জনপ্ৰিয় আৰু বহু সমাদৃত অসমীয়া উপন্যাস "দাহালথুংগ্ৰি" আজি বড়ো ভাষাত অনুদিত ৰূপত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়।কোকৰাঝাৰৰ গৌৰাংভেলী হোটেলত বড়ো ভাষালৈ অনুবাদ হোৱা "দাহালথুংগ্ৰি" (বড়ো ভাষাত দাহালথুগ্ৰি শব্দৰ অৰ্থ ঢাল-তৰোৱাল) উপন্যাসখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে সাহিত্যিক তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড ° ইন্দিৰা বড়োই। “দাহালথুংগ্ৰী” উপন্যাসখন বড়ো ভাষালৈ অনুবাদ কৰিছে ২০০৭ চনৰ সাহিত্য অকাডেমী বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক জনীল কুমাৰ ব্ৰহ্মই। এই উপলক্ষে কোকৰাঝাৰৰ গৌৰাং ভেলী হোটেলৰ প্ৰেক্ষাগৃহত আয়োজিত হোৱা দাহালথুংগ্ৰি নামৰ উপন্যাসখনৰ উন্মোচনী অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড ° ইন্দিৰা বড়োই বড়ো ভাষালৈ অনুদিত দাহালথুংগ্ৰি উপন্যাসখন আনুষ্ঠানিকভাৱে মুকলি কৰি কয় যে যদিওবা এইখন উপন্যাস তথাপিও ইয়াত বুৰঞ্জীমূলক সমল আছে। গীতালী বৰুৱাই বহু কিতাপ লিখিছে আৰু সেয়েহে কালিচাৰণ ব্ৰহ্মৰ ওপৰত গীতালী বৰুৱাক কিতাপ লিখিবলৈ অনুৰোধ কৰে ড° ইন্দিৰা বড়োই। অনুবাদ সাহিত্য যথেষ্ট টান যদিও সাহিত্য একাডেমী বঁটাপ্ৰাপক জনীল কুমাৰ ব্ৰহ্মই দাহালথুংগ্ৰি উপন্যাসখন বড়ো ভাষালৈ সুন্দৰভাৱে অনুবাদ কৰি বড়ো সাহিত্যৰ মহৎ উপকাৰ সাধন কৰা বুলি মন্তব্য কৰে। পশ্চিম অঞ্চলৰ এই অঞ্চলটোক মাহী আইৰ চকুৰে চোৱা হয় বুলি অভিযোগ কৰি ইয়াত লিখাৰ বাবে যথেষ্ট সমল আছে বুলি মন্তব্য কৰি ড° ইন্দিৰা বড়োই সমলবোৰ সাহিত্যৰ ৰূপত সৃষ্টি হলে স্থায়ী হয় আৰু চিৰদিনে জিলিকি থাকে বুলি মন্তব্য কৰিছে। আনহাতে গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থকা দাহালথুংগ্ৰি উপন্যাসৰ অনুবাদক তথা সাহিত্য একাডেমী বঁটা প্ৰাপক জনীল কুমাৰ ব্ৰহ্মই কয় যে এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰাটো আটাইতকৈ টান কাম। লিখক-সাহিত্যিক গীতালী বৰুৱাৰ দাহালথুংগ্ৰি উপন্যাসখনে তেওঁক আকৃষ্ট কৰিছে অনুবাদ কৰি তেওঁ গৌৰৱ অনুভৱ কৰিছে । প্ৰকৃততে যদিওবা এইখন এখন উপন্যাস কিন্তু আচলতে এইখন বড়োৰ বুৰঞ্জীমূলক গ্ৰন্থহে বুলি মন্তব্য কৰি জনীল কুমাৰ ব্ৰহ্মই দাহালথুংগ্ৰিয়ে বড়ো সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। গীতালী বৰুৱাই ইতিমধ্যে ত্ৰিশখনৰো অধিক কিতাপ প্ৰকাশ কৰি উলিয়াইছে আৰু প্ৰতিখন কিতাপে অনুপম সৃষ্টিৰ আধাৰ বুলি মন্তব্য কৰি জনীল কুমাৰ ব্ৰহ্মই নিজ ভাষণত কয় যে গীতালী বৰুৱাই সাহিত্য একাডেমী বঁটা কাহানিবাই পাব লাগিছিল যদিও নামনি অসমৰ বাসিন্দা হোৱা বাবেই বৰ্তমানলৈকে পোৱা নাই বুলি আক্ষেপ প্ৰকাশ কৰে। লেখিকাই উপন্যাসখনৰ সমল বিচাৰি বিছমুৰী , কচুগাঁও , ৰামফলবিল আদি অঞ্চল পৰিভ্ৰমন কৰি বড়ো ৰাইজৰ সুখ-দুখৰ ভাগি হৈছে, বহু বিষয় লৈ আলোচনা কৰিছে বুলি মন্তব্য কৰি এটা কঠিন সময়ৰ বাস্তৱতাক গীতালী বৰুৱাই উপন্যাসৰ সমল হিচাপে বাচি লোৱাত লেখিকাগৰাকীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। আনহাতে লেখিকা গীতালী বৰুৱাই নিজৰ চমু ভাষণত কয় যে বন্দুক ধৰিলেই যুদ্ধত যোৱা নুবুজায়। সকলোৱে মানৱতাক মুখ্যস্থান দি মানুহৰ মাজলৈ আগবাঢ়ি যোৱাৰ আহ্বান জনাই সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। আজিৰ সভাত অঞ্জলী বসুমতাৰী, জয়শ্ৰী বড়ো, ভাৰ্জিন জেকোবা মুছাহাৰীকে ধৰি সাত গৰাকীকৈ সাহিত্য অকাডেমি বঁটা প্ৰাপক, বড়ো সাহিত্য সভা আৰু বড়ো লেখিকা সন্থাৰ বহু বিষয়ববীয়া উপস্থিত আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পশ্চিমবংগ, বিহাৰৰ ৰাজনীতিৰ অসমত

হ'বলগীয়া ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ আৰু বিজেপি প্ৰাৰ্থীৰ মাজত চলা নিৰ্বাচনী প্ৰচাৰে কেবাটাও সমষ্টিত হিংসাত্মক ৰূপ ধাৰণ কৰে। বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগৰ নিচিনাকৈ পোন প্ৰথমবাৰৰ বাবে অসমতো এইদৰে গণতান্ত্ৰিক প্ৰক্ৰিয়াক নস্যাৎ কৰি ক্ষমতা দখলৰ স্বাৰ্থত সাম্প্ৰদায়িক ৰাজনীতি তুংগত উঠিছে। ভাৰতীয় জনতা পাৰ্টীৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিষবাষ্পই এতিয়া নগাঁও জিলাত চৰম উত্তেজনাৰ সৃষ্টি কৰিছে। চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি সমগ্ৰ নগাঁও জিলাত নিৰ্বাচনী হিংসা বিয়পি পৰিছে আৰু সমষ্টিটোত সাম্প্ৰদায়িক শক্তিসমূহৰ সোঁত ববলৈ ধৰিছে। হিন্দু-মুছলমানৰ ৰাজনীতিৰে ক্ষমতা দখলৰ চেষ্টা চলোৱা বাবেই ভাৰতীয় জনতা পাৰ্টী আৰু কংগ্ৰেছৰ সমৰ্থকসকলৰ মাজত দৈনিক থেয়া-নথেয়া ৰণ লগা আৰম্ভ হৈছে। ইয়াৰে অংশ হিচাপে চামগুৰি সমষ্টিত আজি দিনৰ ভাগত সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ, চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ ওপৰত একাংশ দুস্কৃতিকাৰীয়ে আক্ৰমণ চলাই আৰু তেঁওৰ বাহনখন চুৰ্চুমাৰ কৰি পেলায়। দেহৰক্ষীৰ হস্তক্ষেপত কোনোমতে প্ৰাণ ৰক্ষা পৰা প্ৰাৰ্থী তাঞ্জিল হুছেইন এই আক্ৰমণৰ ঘটনাত ভীতিগ্ৰস্ত হৈ পৰে আৰু হিংসাত্মক ৰাজনীতিত অনভিজ্ঞ তাঞ্জিলে অসহায় হৈ পৰে। এক বিবৃতিত তাঞ্জিল হুছেইনে সকলো পক্ষকে শান্তি-সম্প্ৰীতি অব্যাহত ৰাখিবৰ বাবে আহ্বান জনাইছে। ইফালে, এই ঘটনাৰ পিছতে চামগুৰি সমষ্টিৰ কেবাঠাইতো কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকসকলৰ মাজত আক্ৰমণ-প্ৰতিআক্ৰমণ অব্যাহত আছে। শনিবাৰে নিশা কংগ্ৰেছ নেতা এজনৰ ঘৰত দুষ্কৃতিকাৰীয়ে কেবাখনো বাহন ভাঙি চুৰমাৰ কৰাৰ লগতে ঘৰৰ দুৱাৰ-খিৰিকিলৈ শিলগুটি দলিয়াই বিধ্বস্ত কৰে আৰু একে ৪৭ৰ সজীৱ গুলী দলিয়াই থৈ যায়। এই ঘটনাত জড়িত কোনো লোকক আৰক্ষীয়ে এতিয়ালৈ গ্ৰেপ্তাৰ কৰিব পৰা নাই। ইফালে, বিধায়ক জিতু গোস্বামীয়ে পদযাত্ৰা কৰি গৈ থকাৰ সময়ত কংগ্ৰেছৰ সমৰ্থকে শিলগুটি দলিওৱাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত দুষ্কৃতিকাৰীয়ে গুলীবৰ্ষণ কৰাত দুয়ো পক্ষৰ লোক হতাহত হৈছে। বিজেপিৰ অভিযোগ, এই ঘটনা কংগ্ৰেছৰ দ্বাৰা সংঘটিত হৈছে। ইফালে, গুলীত আহত কংগ্ৰেছ কৰ্মী ইদ্ৰিছ আলীয়ে জিতু গোস্বামীৰ সমৰ্থকে গুলী চলোৱা বুলি সাংসদ ৰকিবুল হুছেইনৰ ওচৰত অভিযোগ কৰিছে। চিৰকিৎসাধীন কংগ্ৰেছ কৰ্মীজনৰ শৰীৰৰ অৱস্থাৰ বুজ ল'বলৈ সাংসদ ৰকিবুল হুছেইন চিকিৎসালয়লৈ যোৱাৰ সময়তে আহত কংগ্ৰেছ কৰ্মীজনে গুলীচালনাৰ ঘটনাৰ লগত জিতু গোস্বামী জড়িত বুলি অভিযোগ কৰে। অন্যহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিধায়ক জিতু গোস্বামীক আক্ৰমণৰ ঘটনাৰ গৰিহণা জনাই সমগ্ৰ বিষয়টো ওৰ পেলাব বিচাৰিছে। এতিয়ালৈকে চামগুৰি বিধানসভা সমষ্টিত নিৰ্বাচন কেন্দ্ৰিক হিংসাত ৩ জন বিধায়ককে ধৰি প্ৰায় ২৫ জন কংগ্ৰেছ নেতা-কৰ্মী আহত হৈছে। ৪০খনৰো অধিক বাহন বিজেপিৰ সমৰ্থকসকলে ক্ষতিগ্ৰস্ত কৰিছে। নিৰ্বাচনী হিংসাত চামগুৰিত এজন লোক নিহতও হয়। তাৰপিছতো আৰক্ষীয়ে কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ বিপৰীতে নিৰ্বাচনী আচৰণ বিধি ভংগ কৰি চামগুৰিৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ লগত জড়িত একাংশ আৰক্ষী বিষয়াকে ধৰি ৫১ জন আৰক্ষীৰ পৰিদৰ্শক আৰু সহকাৰী পৰিদৰ্শকক নগাঁও জিলাৰ পৰা একেটা নিৰ্দেশতে বদলি কৰিছে। উল্লেখ্য যে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনটোৰে পৰা এতিয়ালৈকে চামগুৰি সমষ্টিত ৩০টাৰো অধিক নিৰ্বাচনী হিংসাৰ ঘটনা সংঘটিত হোৱাৰ খবৰ পোৱা গৈছে। ইফালে, বাকী ৪টা সমষ্টিত চামগুৰি সমষ্টিৰ তুলনাত নিৰ্বাচনী প্ৰচাৰ শান্তিপূৰ্ণ দেখা গৈছে। অৱশ্যে বিহালী সমষ্টিত শাসকীয় দলৰ বিৰুদ্ধে সংখ্যালঘুৰ একাংশ ভোটাৰক ভয়-ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপিত হৈছে। মুছলমানৰ ভোট নালাগে বুলি কৈ অহা ভাৰতীয় জনতা পাৰ্টীয়ে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ বিহালী সমষ্টিত বিজেপিক ভোট নিদিলে সংখ্যালঘুসকলে বেয়া পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব হ'ব লাগিব বিধায়ক পদ্ম হাজৰিকাই মুকলিকৈ ভাষণত কোৱা পৰিলক্ষিত হৈছে। এনেদৰে এতিয়া চামগুৰি সমষ্টিত দেখিবলৈ পোৱা গুণ্ডাৰাজ আৰু নিৰ্বাচনী হিংসা অনাগত সময়ত অসমৰ প্ৰতিটো সমষ্টিতে দেখিবলৈ পোৱা যাব বুলিও একাংশ লোকে আশংকা ব্যক্ত কৰিছে। এনে পৰিস্থিতিৰ এতিয়াই অৱসান ঘটাব নোৱাৰিলে ২০২৬ৰ বিধানসভা নিৰ্বাচনত অসমৰ বিভিন্ন সমষ্টিৰ নিৰ্বাচনী পৰিৱেশ পশ্চিমবংগ, উত্তৰ প্ৰদেশৰ দৰে ৰক্তাক্তময় হোৱাৰো আশংকা এতিয়া ঘনীভূত হৈ পৰিছে।

# মাজুলীৰ ৰাসক লৈ জিলা আয়ুক্তৰ সাংবাদিকৰে বৈঠক

**ই-সংবাদ, মাজুলী, ১০ নৱেম্বৰঃ** মাজুলীৰ সাৰ্বজনীন ৰাস মহোৎসৱ সমাগত। পৰম্পৰাগত আধ্যাত্মিক ৰাস মহোৎসৱ পূৰ্বৰ দৰে পালনৰ লগতে দৰ্শনাৰ্থীক যাতে অধিক আকৰ্ষিত কৰিব পৰা যায় তাৰ বাবে আজি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ আহ্বানত জিলা আয়ুক্তৰ সভাকক্ষত মাজুলীৰ সাংবাদিকসকলৰ সৈতে এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হয়। জিলা আয়ুক্ত গৰাকীয়ে প্ৰসিদ্ধ দক্ষিণপাট সত্ৰত প্ৰথম আৰম্ভ কৰা ৰাসলীলাক মঞ্চমুখী কৰি অধিক জনপ্ৰিয়তাৰ শিখৰত তোলা প্ৰসিদ্ধ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে পৰম্পৰাগত ৰাস মহোৎসৱক যাতে দৰ্শনাৰ্থীৰ বাবে অধিক আকৰ্ষণীয় কৰিব পৰা যায় তাৰ বাবে জিলা আয়ুক্ত গৰাকীয়ে পৰিকল্পনা কৰা ব্যৱস্থা আদিৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। দূৰ-দূৰণিৰ পৰা আহিবলগীয়া দৰ্শকসকলে ৰাস উপভোগ কৰিবলৈ আহি ঘূৰি যাওঁতে যাতে ভাল এটা মনোভাৱ লৈ ঘূৰি যায় তাৰ বাবে মাজুলীৰ প্ৰতিগৰাকী লোকৰ সহযোগিতা কামনা কৰে। ৰাস মঞ্চসমূহে দৰ্শনাৰ্থীয়ে যাতে ৰাস উপভোগ কৰোতে কোনো সমস্যাৰ সন্মুখীন নহয় আৰু ৰাস উদযাপন সমিতিয়ে উদযাপনস্থলীত প্ৰস্ৰাৱগাৰৰ লগতে বিশুদ্ধ খোৱাপানী আৰু পৰিৱেশ সুন্দৰ কৰি ৰখাত গুৰুত্ব আৰোপ কৰে। বাহিৰৰ দৰ্শনাৰ্থী ৰাস উপভোগ কৰিবলৈ আহোতে পাৰাপাৰৰ ক্ষেত্ৰত অসুবিধা নোহোৱাকৈ অফলামুখ পাৰঘাটত দুখন ৰপ্রেক্সৰ লগতে পৰ্যাপ্ত ফেৰীৰ সুবিধা কথা অৱগত কৰে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কমলাবাৰী-নিমাতী ফেৰী সেৱাত যথেষ্ট সমস্যা হৈছে যদিও উক্ত পাৰঘাটৰ ফেৰীত কেৱল মটৰচাইকেল পাৰাপাৰৰ হে ব্যৱস্থা ৰখাৰ কথা অৱগত কৰে। ৰাইজৰ সুবিধাৰ্থে কমলাবাৰী পাৰঘাট সাময়িকভাৱে দক্ষিণপাট দলং নিৰ্মাণথলীত বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ গভীৰতা বেছি থকাৰ বাবে উক্ত স্থানত ফেৰী চপাব পৰা চালামী নিৰ্মাণ কৰি থকা বুলি উল্লেখ কৰাৰ লগতে কাইলৈ উক্ত পাৰঘাটত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে ১৩ নৱেম্বৰ পুৱাৰ পৰাই দক্ষিণপাটৰ পৰা নিমাতিলৈ ফেৰী চলাচল কৰিব। তেওঁ কয় মাজুলীৰ ৰাইজৰ আৱেগ-অনুভূতিৰ লগত জড়িত ইতিহাস সমৃদ্ধ এই কমলাবাৰী পাৰঘাটেৰে পূৰ্বৰ দৰেই গুটিয়া ফেৰী পাৰাপাৰৰ ব্যৱস্থা অব্যাহত থাকিব। এই ক্ষেত্ৰত ৰাসৰ আটাই কেইদিন ১৮ নৱেম্বৰ পৰ্যন্ত যাত্ৰী ফেৰীত সম্পূৰ্ণ হ'লেই যিকোনো সময়ত মাজুলী আৰু নিমাতী দুয়ো পাৰৰ পৰা যাত্ৰীৰ অসুবিধা নোহোৱাকৈ আফলামুখ, দাক্ষিণপাট ,কমলাবাৰী ঘাটৰে নিয়মীয়াকৈ চলি থাকিব। আয়ুক্তগৰাকীয়ে আৰু কয়, যাত্ৰীসকলৰ সুবিধাৰ কাৰণে পাৰঘাট দুয়োটাত টিকট অনলাইনৰ পৰিৱৰ্তে অফ লাইনত উপলব্ধ হ'ব বুলি জানিবলৈ দিয়ে। মাজুলীৰ ৰাস মঞ্চসমূহ যাতে পৰিষ্কাৰ-পৰিচন্নতকৈ ৰাখে তাৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় সাংবাদিকসকলে। জিলা আয়ুক্তই সকলোৰে সহযোগিতাত এইবাৰৰ ৰাস উৎসৱ অন্যান্য ৰাস উৎসৱকৈ অধিক উলহমালহেৰে চকুত লগাকৈ উদ্‌যাপিত হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰ, সহকাৰী আয়ুক্ত পূজা বৰাই অংশ গ্ৰহণ কৰে। উল্লেখযোগ্য যে আগন্তুক ১৫, ১৬ আৰু ১৭ নৱেম্বৰত মাজুলীৰ ৬৬ টা ৰংগ মঞ্চত ৰাসলীলা অনুষ্ঠিত হ'ব। অৱশ্যে কিছু কিছু মঞ্চত ১৪ নৱেম্বৰৰ পৰাই ৰাস অনুষ্ঠিত হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কন্যাক পিতৃয়ে কৰিলে অপহৰণ!

সমগ্ৰ গুৱাহাটীত চাঞ্চল্যৰ সৃষ্টি কৰিছে। মহানগৰীৰ বেলতলাৰ পৰা নিৰুদ্দিষ্ট হোৱা বুলি অভিযোগ উত্থাপিত ৫ বছৰীয়া কণমানিক উদ্ধাৰৰ লগতে অপহৰণ কাণ্ডত জড়িত পিতৃ আৰু বনকৰা মহিলাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষী। উত্তৰ অসমত অভিযান চলাই লখিমপুৰৰ বগীনদীত কণমানিক উদ্ধাৰৰ লগতে পিতৃ আৰু বনকৰা মহিলাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। চাঞ্চল্যকৰ এই ঘটনাই কেইবা ঘণ্টা ধৰি শিহৰিত কৰি ৰাখে গুৱাহাটী আৰক্ষী আৰু কণমানিগৰাকীৰ মাতৃক। পাঁচবছৰীয়া কন্যাক পিতৃ বিজু পেগু আৰু বনকৰা যুৱতীয়ে অপহৰণ কৰাৰ সন্দেহ কৰা হৈছে। জানিব পৰা মতে, বশিষ্ঠৰ পাটৰকুছিৰ ট্ৰেন্স গাৰ্ডেন এপাৰ্টমেণ্টত বসবাস কৰে ব্যৱসায়ী বিজু পেগু। বিজু পেগুৰ পত্নী বন্তি দলেয়ে প্ৰায় তিনিবছৰ পূৰ্বে কাম কৰা মহিলা হিচাপে ৰাখিছিল চুমি গগৈ নামৰ যুৱতীক। কিন্তু এটা বছৰ পূৰ্বে চুমি গগৈক কামৰ পৰা উলিয়াই দিয়ে। পত্নীয়ে চুমি গগৈৰ সৈতে স্বামী বিজু পেগুৰ সংগোপনে গভীৰ সম্পৰ্ক গঢ়ি উঠাৰ সন্দেহ কৰিছিল। বিজু পেগুৰ পত্নী বন্তি দলেয়ে ৮ নৱেম্বৰত বেলতলা বজাৰলৈ আহে। তেনে সময়তে বিজু পেগু আৰু বন্তি দলেৰ কন্যা বেলতলা বজাৰৰ পৰাই নিৰুদ্দেশ হয়। পত্নীয়ে লগে লগে স্বামী বিজু পেগুক যোগাযোগ কৰিবলৈ প্ৰয়াস কৰে। যোগাযোগ সম্ভৱ নোহোৱাত বশিষ্ঠৰ পাটৰকুছিস্থিত ট্ৰেন্স গাৰ্ডেন এপাৰ্টমেণ্টত যোগাযোগ কৰাত তাত নাই বুলি ঠিৰাং হয়। বিজু পেগুৰ পত্নী পাগলৰ দৰে হৈ পৰে। তাৰ পাছতে বন্তিয়ে কন্যাক অপহৰণৰ অভিযোগ আনি এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। প্ৰথমে বনকৰা মহিলাৰ মোবাইলৰ লোকেচন ট্ৰেছ কৰিবলৈ সক্ষম হয় আৰক্ষী। লোকেচন ধৰা পৰে লখিমপুৰ জিলাৰ বগীনদীত। লগে লগে লখিমপুৰ আৰক্ষীৰ সৈতে যোগাযোগ স্থাপন কৰে গুৱাহাটী আৰক্ষীয়ে। লখিমপুৰ আৰক্ষীয়ে বগীনদীত অভিযান চলাই এঘৰত কণমানিক উদ্ধাৰ কৰে। তাৰ পাছতে পিতৃ বিজু পেগু আৰু বনকৰা মহিলাক ধৰিবলৈ সক্ষম হয়। লগে লগে গুৱাহাটীৰ এটা আৰক্ষীৰ দল লখিমপুৰত উপস্থিত হৈ ৫ বছৰীয়া কণমানি, বিজু পেগু আৰু বনকৰা মহিলাক গুৱাহাটীলৈ অনাৰ ব্যৱস্থা কৰে। তথ্য মতে, বিজু আৰু প্ৰেমিকাই এএছ-০১-ইকে-৬০০৩ নম্বৰৰ ইনভাত কণমানিক বগীনদীলৈ নিছিল। পিতৃ বিজু পেগুৱে অপহৰণৰ পৰিকল্পনা কৰিছিল বুলি অভিযোগ উঠিছে যদিও বনকৰা যুৱতীৰ ভাষ্য কিন্তু বিপৰীত। বনকৰা যুৱতী চুমিয়ে দাবী কৰা মতে, বিজু পেগুয়েহে কন্যাক তেওঁৰ ঘৰলৈ লৈ আহিছিল। চুমি গগৈ ব্যৱসায়ী বিজুৰ দ্বিতীয় পত্নী। তেওঁ কণমানিক বগীনদীলৈ নিয়া নাই পিতৃয়েহে লৈ আহিছে বুলি দাবী কৰে। এবছৰ আগতে বিজু পেগুৰ সৈতে বিয়াত বহা বুলি কয়। আনহাতে, বন্তি দলেয়ে এয়া অপহৰণ কাণ্ড আৰু অপহৰণত স্বামী জড়িত থাকিব বুলি সন্দেহ কৰিছে। পিতৃয়ে কি উদ্দেশ্যে নিজ কন্যাক অপহৰণ কৰিছিল সেই কথা অদ্যাপি জানিব পৰা হোৱা নাই। মাতৃ বন্তিয়ে পিতৃ বিজুৰ পৰা কন্যাক আঁতৰাই ৰখাৰ বাবেও পিতৃয়ে নিজ কন্যাক এনেদৰে লৈ যাব পাৰে বুলি একাংশ লোকে ক'ব খোজে। দিছপুৰ আৰক্ষীয়ে ১২১৮/২৪ নম্বৰত ন্যায় সংহিতাৰ ১৩৭(২) ধাৰাত গোচৰ ৰুজু কৰি ঘটনাৰ প্ৰকৃত ৰহস্য উদঘাটনৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিদ্দিকি হত্যা, আৰু এজন গ্ৰেপ্তাৰ

গ্ৰেপ্তাৰ উত্তৰ প্ৰদেশ আৰক্ষীৰ। দেওবাৰে বাবা ছিদ্দিকীৰ হত্যাৰ গোচৰত আৰক্ষীয়ে বাহৰেইচৰ পৰা গ্ৰেপ্তাৰ কৰে আন এজনক। একে সময়তে হত্যাৰ অভিযুক্তজনক আশ্ৰয় দিয়াৰ অভিযোগত উত্তৰ প্ৰদেশ আৰক্ষীয়ে আন চাৰিজনকো গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে, এই হত্যাৰ গোচৰত এতিয়ালৈকে মুঠ ১৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে উত্তৰ প্ৰদেশ আৰক্ষীয়ে। জানিব পৰা মতে, বাবা ছিদ্দিকী হত্যাকাণ্ডৰ গোচৰত আজি উত্তৰ প্ৰদেশ আৰক্ষীৰ বিশেষ টাস্ক ফৰ্চ আৰু মুম্বাই ক্ৰাইম ব্ৰাঞ্চে যৌথ অভিযান চলাই নানপাৰা বাহৰেইচৰ পৰা গ্ৰেপ্তাৰ কৰে শুটাৰ শিৱকুমাৰক। আৰক্ষীৰ সূত্ৰ অনুসৰি, গ্ৰেপ্তাৰৰ সময়ত নেপাললৈ পলায়ৰ পৰিকল্পনা কৰিছিল অভিযুক্তজনে। ইফালে শিৱকুমাৰক আশ্ৰয় প্ৰদান কৰি দেশ এৰি পলায়নত সহায় কৰাৰ অপৰাধত অভিযানকাৰী দলটোৱে অনুৰাগ কাশ্যপ, জ্ঞান প্ৰকাশ ত্ৰিপাঠী, আকাশ শ্ৰীবাস্তৱ আৰু অখিলেশেন্দ্ৰ প্ৰতাপ সিং নামৰ আন চাৰিজনকো গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে সদৰী কৰা মতে, বাবা ছিদ্দিকীৰ হত্যাকাণ্ডৰ মূল শুটাৰ আছিল ধৃত শিৱকুমাৰ। আনহাতে লৰেন্স গেং ছিণ্ডিকেটৰ সৈতেও আছিল তেওঁৰ প্ৰত্যক্ষ যোগাযোগ। লৰেন্স গেঙৰ সকলো নিৰ্দেশনা তেওঁৰ মোবাইলযোগে লাভ কৰিছিল। বাবা ছিদ্দিকীৰ হত্যাৰ পিছত মধ্যপ্ৰদেশৰ ওমকাৰেশ্বৰলৈ যোৱা কথা আছিল শিৱকুমাৰৰ, য'ত তেওঁ লৰেন্স গেঙৰ এজন হেণ্ডমেনক লগ পোৱাৰ কথা আছিল। কিন্তু এই বিষয়ে গোপন খবৰ লাভ কৰি মুম্বাই আৰক্ষীয়ে শিৱকুমাৰৰ সন্ধানত ওমকাৰেশ্বৰত অভিযান চলোৱাত পূৰ্ব পৰিকল্পনা বিফল হৈছিল শিৱকুমাৰৰ। লক্ষণীয় যে, এই হত্যাকাণ্ডৰ এই গোচৰৰ মূল শুটাৰ তিনিজন ধৰমৰাজ, গুৰমেল আৰু শিৱ কুমাৰ গৌতমক ক্ৰাইম ব্ৰাঞ্চে গ্ৰেপ্তাৰ কৰিছে। ইফালে বাবা ছিদ্দিকী হত্যাকাণ্ডৰ গোচৰত গ্ৰেপ্তাৰ হোৱা মূল শুটাৰ শিৱকুমাৰে উত্তৰ প্ৰদেশ আৰক্ষীৰ জেৰাত বিস্ফোৰক তথ্য প্ৰকাশ কৰিছে। শিৱ কুমাৰে জেৰাৰ সময়ত কয় যে তেওঁ লৰেন্স বিষ্ণয় গেঙৰ সৈতে জড়িত। আনমোল বিষ্ণয়ে প্ৰদান কৰা নিৰ্দেশমৰ্মে বাবা ছিদ্দিকীৰ হত্যা কৰা বুলিও স্বীকাৰ কৰিছে অভিযুক্তজনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিৰ নিৰ্দলীয় প্ৰাৰ্থী মোছাব্বিৰক

উত্তেজনা। কালি নিশা চামগুৰিত গুলীচালনাৰ ঘটনা সংঘটিত হোৱাত সমস্ত সমষ্টিটোত উত্তেজনাই বিৰাজ কৰিছে। গুলীচালনা ইটো দলে সিটো দলৰ বিৰুদ্ধে কৰা বুলি অভিযোগ-প্ৰতিভিযোগ অনাৰ সময়তে আন এক ঘটনা সংঘটিত হৈছে। অভিযোগ মতে, কেইবা লক্ষ টকা লৈ সংখ্যালঘুৰ ভোট বিভাজন কৰিবলৈ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় দিয়া মোছাব্বিৰ আহমেদক অপহৰণ কৰা হৈছে। বিজেপি আৰু কংগ্ৰেছৰ সংঘাতৰ মাজতে অপহৰণ কৰি গোপন স্থানত মাৰধৰ কৰা হৈছে মোছাব্বিৰক। মোছাব্বিৰ আহমেদে অভিযোগ কৰা মতে, তেওঁ চামগুৰি সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী। কালি নিশা সমৰ্থকৰ সৈতে চোটৰুপহীৰ বাসগৃহত কথা পাতি থকাৰ সময়তে এটা ফোন আহে আৰু ফোন কৰা লোকজনে বাহিৰলৈ মাতে। বাহিৰলৈ অহাত কেইজনমান লোকে প্ৰাৰ্থী মোছাব্বিৰক জোৰ-জবৰদস্তি গাড়ীত উঠাই লৈ যায়। গাড়ীৰ ভিতৰত বৰ্বৰভাৱে আক্ৰমণ কৰা হয়। কিছু সময় পাছতে মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হয় বুলি নিৰ্দলীয় প্ৰাৰ্থী মোছাব্বিৰ আহমেদে খোদ দাবী কৰিছে। নগাঁৱৰ এখন ব্যক্তিগত নাৰ্চিংহোমত চিকিৎসাধীন হৈ থকা মোছাব্বিৰ আহমেদে নিশা অপহৰণ আৰু তাৰ পাছত আক্ৰমণ কৰা হৈছে বুলি দাবী কৰে। মোছাব্বিৰ আহমেদে কংগ্ৰেছ দলৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন কৰি কংগ্ৰেছীয়ে আক্ৰমণ কৰাৰ অভিযোগ আনিছে। চামগুৰি সমষ্টিত হৈ থকা চৰ্চা মতে, মোছাব্বিৰ আহমেদে কোনো পক্ষৰ পৰা কেইবা লক্ষ টকা লৈ সমষ্টিটোত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় দিছে। মুছলমান ভোট বিভাজন কৰিবলৈ তেওঁ নিৰ্বাচন খেলিছে বুলিও অভিযোগ উঠিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# জনজাতিকৰণক লৈ মিথ্যাচাৰ! উজনিত

কৰাৰ পাছৰে পৰা দুয়োটা সংগঠনে আজি পুৱাৰ ভাগৰ পৰাই জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা তথা প্ৰতিকৃতি দাহেৰে তীব্ৰ প্ৰতিবাদ প্ৰতিবাদ সাব্যস্ত কৰে। মৰাণ ছাত্ৰ সন্থাৰ কাকপথাৰ আৰু ডিৰাক আঞ্চলিক সমিতিৰ লগতে মটক যুৱ-ছাত্ৰ সন্মিলনৰ কাকপথাৰ আঞ্চলিক সমিতিয়ে আজি ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাকপথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰে। মৰাণ-মটককে ধৰি ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান নকৰিলে কাকপথাৰ পৰাই এক সশস্ত্ৰ সংগ্ৰাম আৰম্ভ হ'ব বুলি হুংকাৰ প্ৰদান কৰে মৰাণ ছাত্ৰ সন্থাৰ কাকপথাৰ আঞ্চলিকৰ নেতৃত্বই। চৰকাৰে ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান নকৰাৰ প্ৰতিবাদত মৰাণ ছাত্ৰ সন্থা আৰু মটক যুৱ-ছাত্ৰ সন্মিলনে কাইলৈ ১১ নৱেম্বৰত ১২ ঘন্টীয়া তিনিচুকীয়া-ডিব্ৰুগড় জিলা বন্ধ ঘোষণা কৰাৰ সময়তেই আজি কাকপথাৰ চহৰৰ মাজমজিয়াত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাকপথাৰ আৰু ডিৰাক আঞ্চলিক সমিতিৰ লগতে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ কাকপথাৰ আঞ্চলিক সমিতিয়ে যৌথভাৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, জুৱেল ওৰাম মুৰ্দাবাদ আদি বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে কাকপথাৰ ৰাজপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনদ্বয়ে। কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে কৰা দায়সৰা মন্তব্যই এক প্ৰকাৰৰ জ্বলা জুইত ঘিউ ঢলা দেখা গৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ এক প্ৰকাৰৰ টুলুঙা মন্তব্যৰ পিছতে উজনিৰ তিনিচুকীয়াৰ সদৰত কালি সদৌ মৰাণ ছাত্ৰ সন্থাৰ লগতে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছৰে পৰা জিলাখনৰ প্ৰান্তে-প্ৰান্তে এনেদৰে জনজাতিকৰণক লৈ প্ৰতিবাদমুখৰ হৈ পৰা পৰিলক্ষিত হৈছে।

ডুমডুমা আঞ্চলিক মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ ডুমডুমা আঞ্চলিকে আজি দুপৰীয়া ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমাত (অসম ৰাজ্যিক বাছ আস্থানৰ সন্মুখত) নৰেন্দ্ৰ মোদী, জুৱেল ওৰাম আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰে। সংগঠনদ্বয়ে চৰকাৰক ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ দাবীত বিভিন্ন শ্লো'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰে অচিৰেই ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে আগন্তুক ২০২৬ ৰ বিধানসভা নিৰ্বাচনত বিজেপি চৰকাৰক ওফৰাই পেলোৱাৰো হুংকাৰ দিয়ে সংগঠনদ্বয়ৰ নেতা-কৰ্মীয়ে। ইয়াৰ পাছতেই সন্ধিয়াৰ একেটা স্থানতেই সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি সন্থাৰ ডুমডুমা আঞ্চলিক সমিতিয়েও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শনিবাৰে বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সদৰত মৰাণ ছাত্ৰ সন্থা আৰু মটক যুৱ-ছাত্ৰ সন্মিলনে যৌথভাৱে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আজি দেওবাৰৰ দিনটোত জিলাখনৰ বিভিন্ন প্ৰান্তত সাব্যস্ত হৈছে প্ৰতিবাদ, পথ অৱৰোধ কাৰ্যসূচী। আজি পুৱাৰ ভাগত তিনিচুকীয়া বাইপাছত প্ৰতিবাদ সাব্যস্ত কৰাৰ সমান্তৰালকৈ কাকপথাৰ, ডুমডুমা, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাকুম, পানীতোলাৰ লগতে জিলাখনৰ প্ৰান্তৰৱৰ্তী পেঙেৰীতো সদৌ মৰাণ ছাত্ৰ সন্থাৰ মাৰ্ঘেৰিটা-পেঙেৰী আঞ্চলিক সমিতিৰ লগতে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ বুঢ়ীদিহিং আঞ্চলিক সমিতিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু অসমৰ মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজিৰ দিনটোত হোৱা এনে প্ৰতিবাদত ৰাজ্যৰ মৰাণ, মটক জনগোষ্ঠীকে ধৰি ছয় জনগোষ্ঠীক অচিৰেই জনজাতিৰ স্বীকৃতি প্ৰদান কৰিবলৈ দাবী জনায়। জনজাতিকৰণৰ দাবীত গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ আৰক্ষী-প্ৰশাসনে হকা-বাধা দিলে সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিয়ে প্ৰতিবাদী সংগঠনৰ নেতা-কৰ্মীয়ে। ইফালে, কাইলৈ অৰ্থাৎ অহা ১১ নৱেম্বৰত একাংশ সংগঠনে বন্ধৰ আহ্বান জনোৱাৰ পৰিপ্ৰেক্ষিতত এই সময়চোৱাত নাগৰিকৰ সাংবিধানিক অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত আৰু তেওঁলোকে সন্মুখীন হ'বপৰা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি জিলাখনত অকৰ্তৃত্বশীলভাৱে বন্ধৰ আহ্বান জনোৱা, ধৰ্মঘট কৰা, পথ অৱৰোধ কৰা, প্ৰতিমূৰ্তি জ্বলোৱা, নাগৰিকৰ দৈনন্দিন কামত বাধা আৰোপ কৰা আদি সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰিছে। কোনো লোকে এই নিষেধাজ্ঞা উলংঘা কৰিলে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশটোত স্পষ্ট কৰি দিয়াৰ উপৰিও তিনিচুকীয়া জিলাত স্বাভাৱিক জীৱন যাত্ৰা অব্যাহত ৰখাৰ স্বাৰ্থত জিলা প্ৰশাসনে হেল্প লাইন নম্বৰ স্থাপন কৰিছে। কোনো লোকে নিজৰ স্বাভাৱিক জীৱন যাত্ৰাত আনৰ দ্বাৰা বাধাৰ সন্মুখীন হ'লে বা ভয়-ভাবুকিৰ সন্মুখীন হ'লে ৯৩৯৪৫৮৫৬২২ নম্বৰত ফোন কৰি জনাবলৈ কোৱা হৈছে। জিলাখনত স্বাভাৱিক জীৱন যাত্ৰা নিশ্চিত কৰিবলৈ প্ৰতিখন থানাতে দুজনকৈ কাৰ্যবাহী দণ্ডাধীশক দায়িত্ব দিয়া হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়ত নিয়মীয়াকৈ কাম-কাজ অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। অকৰ্তৃত্বশীলভাৱে কৰ্তব্যত অনুপস্থিত থাকিলে শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি জিলা আয়ুক্ত স্বপ্নীল পালে সকলোকে সঁকীয়াই দিছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কাইলৈ আহ্বান জনোৱা ১২ ঘণ্টীয়া তিনিচুকীয়া-ডিব্ৰুগড় জিলা বন্ধক আয়ুক্তগৰাকীয়ে অবৈধ ঘোষণা কৰিছে।

# যোৰহাটত ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু

**ই-সংবাদ, যোৰহাট, ১০ নবেম্বৰঃ** যোৰহাট নগৰৰ মাজমজিয়াৰ নিৰ্মল চাৰিআলিত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত বাছৰ খুন্দাত এগৰাকী মহিলা নিহত হোৱাৰ লগতে আন দুগৰাকী মহিলা আৰু এটি শিশু আহত হয়। এখন স্কুটিত মহিলা কেইগৰাকী দেওবাৰে পুৱা সমীপৰ ঘৰৰ পৰা ওলাই আহি এ টি ৰোডেৰে গৈ থকা অৱস্থাত শিৱসাগৰ দিশৰ পৰা অহা অমৰনাথ নামৰ বাছখনে ভুল দিশত গৈ স্কুটিখনক মহতিয়াই নিয়ে। বাছখনৰ চেপাত স্কুটিখন সম্পূৰ্ণৰূপে ধ্বংস হয়। ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত জুনু বেগম নামৰ মহিলাগৰাকীৰ মৃত্যু হয়। দৈৱক্ৰমে প্ৰাণ ৰক্ষা পৰে মৃত মহিলাগৰাকীৰ কণমানি সন্তানটিৰ। এই ভয়ংকৰ পথ দুৰ্ঘটনাটোত আন দুগৰাকী মহিলাৰ প্ৰাণ ৰক্ষা পৰে যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহত আটাইকেইজনকে জে এম চি এইছলৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। যোৰহাট নগৰৰ নিৰ্মল চাৰিআলিত পথত ডিভাইদাৰ থকাৰ পিছতো কিয় বাছখন ভুল দিশত গৈ দুৰ্ঘটনা সংঘটিত কৰিলে সেয়া স্পষ্ট হোৱা নাই। আৰক্ষীয়ে বাছখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰে। ইয়াকে লৈ চহৰখনত প্ৰতিক্ৰিয়া অব্যাহত আছে।

# গান্ধী ভৱনত মৰিগাঁৱত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ন-পুৰণি শিক্ষক সন্মিলন

**ই-সংবাদ, মৰিগাঁও, ১০ নৱেম্বৰঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি মৰিগাঁৱত ব্যতিক্ৰমী কাৰ্যসূচীৰে এখন ন-পুৰণি শিক্ষক সন্মিলন অনুষ্ঠিত কৰা হয়। মৰিগাঁৱৰ গান্ধী ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকাই পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে শিক্ষক-শিক্ষাৰ্থীৰ এটি বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটো আনুষ্ঠানিক ভাবে উদ্বোধন কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকাই। অনুষ্ঠানটো উদ্বোধন কৰি তেওঁ ভাষণ প্ৰসংগত কয় যে শিক্ষাৰ মূল উদ্দেশ্য হৈছে বিশ্ব মানৱতা গঢ়ি তোলা। ৰুচিশীল সাংস্কৃতিক বাতাবৰণ সৃষ্টি কৰা। কেৱল নাচ-গানেই সংস্কৃতি নহয়। সংস্কৃতিৰ ধাৰণা বিশাল। তেওঁ লগতে কয় যে যেতিয়ালৈ অসমত ২৯০০০ খন গাঁও থাকিব তেতিয়ালৈ অসমীয়া ভাষা কোনেও নিশ্চিহ্ন কৰিব নোৱাৰে। অনুষ্ঠানত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি গিৰিন্দ্ৰ খাটনিয়াৰ প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত শিক্ষক শিক্ষাৰ্থীৰ গীত মাত আৰু কবিতা আবৃত্তিৰে অনুষ্ঠানটো জীপাল কৰি তোলে। ইয়াৰ পিছতে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা দীপক কুমাৰ মেধিৰ সঞ্চালনাত এখন ন-পুৰণি শিক্ষক সন্মিলন অনুষ্ঠিত হয়। ৰাজ্যিক কৃতী শিক্ষক বঁটাৰে সন্মানিত প্ৰদীপ কুমাৰ নাথে অনুষ্ঠান উদ্বোধন কৰে। অনুষ্ঠানত শিক্ষক সন্মিলনীৰ জৰিয়তে শৈক্ষিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে কেইবাগৰাকীও শিক্ষকক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি হৰলাল মণ্ডল আৰু ইমৰান শ্বাহ, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য নজৰুল ইছলাম আৰু ৰঞ্জুমণি দেৱী বৰা, সহকাৰী সম্পাদক উৎপল কুমাৰ দাস , সাংগঠনিক সম্পাদক জিতেন শইকীয়া আৰু অজিত বৰদলৈ, হিচাপ পৰীক্ষক ধৰ্মেন্দ্ৰ বৰা প্ৰমুখ্যে জিলা সন্মিলনীৰ বিষয়ববীয়া সকল উপস্থিত থাকে। ।

## আক্ৰমণকাৰীক শীঘ্ৰেই গ্ৰেপ্তাৰৰ দাবী বিভিন্নজনৰ

# চামগুৰিত সাংবাদিক নিগ্ৰহৰ ঘটনাক কেন্দ্ৰ কৰি অৱস্থান ধৰ্মঘট




**ই-সংবাদ, পুৰণিগুদাম, ১০ নৱেম্বৰ:** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ ভাটিয়াখালি অঞ্চলৰ মুৰি পুথিখাইটিত যোৱা নিশা সংঘটিত হোৱা গুলিচালনা ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা অৱস্থাত তিনিজন সাংবাদিকক কংগ্ৰেছ কৰ্মীয়ে নিগ্ৰহ চলোৱাৰ প্ৰতিবাদত আজি চামগুৰি আৰক্ষী থানাৰ সন্মুখত সাংবাদিকসকলে এক প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত কেইজনমান সাংবাদিক ৰাজনৈতিক দলৰ সমৰ্থকৰ হাতত নিগ্ৰহ হোৱা ঘটনাৰ উত্তেজনা মাৰ নাযাওতেই যোৱা নিশাও তিনিজনকৈ সাংবাদিক কংগ্ৰেছ কৰ্মীৰ হাতত নিগ্ৰহ হ'বলগা হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চামগুৰি বিধানসভাৰ উপ-নিৰ্বাচনত সাংবাদিকসকল বাৰে-বাৰে অপদস্থ আৰু আক্ৰমণৰ বলি হ'বলগীয়া হৈছে।জানিব পৰা মতে, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত বৰ্বৰোচিত কাণ্ড প্ৰতিৰোধ কৰিবলৈ সমাজৰ বিভিন্ন পক্ষই দাবী উত্থাপন কৰি অহাৰ সময়তে যোৱা নিশা চামগুৰিৰ মুৰিপুঠিখাইটিত News18 অসম North East ৰ নগাঁওস্থিত সাংবাদিক নিলোৎপল বৰা, এন কে টিভিৰ চামগুৰিৰ সাংবাদিক নৱজ্যোতি বৰুৱা আৰু News18 অসম North East ৰ ভিডিঅ' সাংবাদিক হেমন্ত দাস কৰ্তব্যৰত অৱস্থাত কংগ্ৰেছ গুণ্ডবাহিনীৰ আক্ৰমণৰ বলি হয়। উল্লেখ্য যে, নগাঁও জিলাৰ চামগুৰিৰ মুৰিপুঠিখাইটিত যোৱা নিশা সংঘটিত এক গুলিচালনাৰ বাতৰি সংগ্ৰহৰ বাবে কৰ্তব্যৰত তিনি সাংবাদিক ঘটনাস্থলিত উপস্থিত হৈছিল। গুলীচালনা ঘটনাৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা তিনিগৰাকী সাংবাদিকক কংগ্ৰেছী গুণ্ডবাহিনীয়ে অতৰ্কিতে প্ৰহাৰ কৰে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।আনহাতে, চামগুৰিৰ কংগ্ৰেছ দলৰ উদণ্ড সমৰ্থক সকলে এটা চেটেলাইট চেনেলৰ কেমেৰা ভাঙি পেলাবলৈ অপ্ৰাণ চেষ্টা চলায়। যাৰ পৰিপ্ৰেক্ষিতত নগাঁৱৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সাংবাদিক সকলে সাংবাদিক নিগ্ৰহৰ উক্ত নিন্দনীয় ঘটনাৰ বিৰুদ্ধে চামগুৰি আৰক্ষী থানাৰ সন্মুখত আজি দিনৰ ১০ বজাৰ পৰা ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। সাংবাদিক নিগ্ৰহৰ ঘটনাক জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসাম, সদৌ অসম সাংবাদিক সন্থা, আপকু, বাৰ্তাজীৱি সংঘ, নগাঁও প্ৰেছ ক্লাৱ, চামগুৰি প্ৰেছ ক্লাৱ, পুৰণিগুদাম প্ৰেছ ক্লাৱ, বঢ়মপুৰ প্ৰেছ ক্লাবকে ধৰি ৰাজ্যৰ বিভিন্ন সাংবাদিক সংগঠনে ধিক্কাৰ প্ৰদান কৰাৰ লগতে আক্ৰমণকাৰীক শীঘ্ৰেই গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰে।নগাঁও প্ৰেছ ক্লাৱৰ সভাপতি জীতেন বৰকটকীয়ে সাংবাদিক নিগ্ৰহৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।নগাঁও জিলাৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সাংবাদিকসকলে চামগুৰি আৰক্ষী থানাৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে দোষীক শাস্তি প্ৰদান কৰিবলৈ চামগুৰি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে।আনহাতে, ৰাজ্যত সংঘটিত সাংবাদিক আক্ৰমণৰ বৰ্ধিত ঘটনাত গভীৰ উদ্বেগ ব্যক্ত কৰি এক প্ৰেছ বাৰ্তাৰ জৰিয়তে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এনে ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনায় আৰু দুৰ্বৃত্তক চিনাক্ত কৰি কঠোৰতম্ শাস্তি বিহিবলৈ দাবী উত্থাপন কৰে।

# মৈৰাবাৰীত সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা'

**ই সংবাদ, মৈৰাবাৰী, ১০ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ 'খাইৰ প্ৰকাশন'ৰ উদ্যোগত ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি ইংৰাজী মাহৰ ১০ তাৰিখে নিয়মীয়াকৈ অনুষ্ঠিত হৈ অহা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা'ৰ নৱেম্বৰ মাহৰ অনুষ্ঠানটি দেওবাৰে বিয়লিৰ ভাগত মৈৰাবাৰী কলেজ ৰোডত 'খাইৰ প্ৰকাশন'ৰ কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত হৈ যায়। শিক্ষক, সমাজ সংগঠক জহিৰুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত ব্যতিক্ৰমী কাব্যানুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে খাইৰ qপ্ৰকাশনৰ স্বত্বাধিকাৰী তথা বিশিষ্ট কবি, লেখক খাইৰুল ইছলামে। অনুষ্ঠানত কবি, লেখক মুহাম্মাদ আফজাল, খাইৰুল ইছলাম আৰু বদৰুজ জামান আকতাৰে কবিতা পাঠ কৰাৰ লগতে আশ্ৰাফুল হক আৰু শিক্ষক জিন্নাতুল ইছলামে গীত পৰিৱেশন কৰে আৰু স্কুলীয়া ছাত্ৰ মুহাম্মাদ ফাহিমে কবিতা আবৃত্তি কৰে।পঠিত গীত-কবিতাসমূহৰ চমু পৰ্যালোচনা আগবঢ়ায় আজিৰ অনুষ্ঠানৰ সঞ্চালক জহিৰুল ইছলামে। তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটিৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মুহাম্মাদ আফজালক ৯৫০৮১-৫৩৮০২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা খাইৰ প্ৰকাশনে আহ্বান জনাইছে।



দিবনে ভোট বিজেপিক? ফটো ঝাৰখণ্ডৰ



ঝাৰখণ্ডত অসম মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক উষ্ম আদৰণি, ফটো শনিবাৰৰ

## ধৰাশায়ী অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ

# মৰিগাঁও মহাবিদ্যালয়ৰ নিৰ্বাচনত আছুৰ বৃহৎ জয়লাভ

**ই-সংবাদ, মৰিগাঁও, ৯ নৱেম্বৰ:** ঐতিহ্যমণ্ডিত মৰিগাঁও মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া শনিবাৰে পুৱাৰ ভাগৰেই পৰা আৰম্ভ হয়। নিৰ্বাচন কেন্দ্ৰিক পৰিৱেশত সন্ধিয়াৰ ভাগত ভোটদানৰ অন্তত ঘোষণা কৰা নিৰ্বাচনৰ ফলাফলত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীক পৰাস্ত কৰি আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে ১৮টাকৈ পদৰ ভিতৰত ১৭টাকৈ পদ আছুয়ে দখল কৰিবলৈ সক্ষম হয়। মৰিগাঁও মহাবিদ্যালয়ৰ২০২৪-২৫ বৰ্ষত সভাপতিৰ পদত নয়ন নিলিম ভৰালী জয়লাভ কৰাৰ উপৰি উপ-সভাপতিৰ পদত সঞ্জয় দাস, সাধাৰণ সম্পাদকৰ পদত পৰাগজ্যোতি ডেকাই জয়লাভ কৰে। সহকাৰী সাধাৰণ সম্পাদকৰ পদত পীয়াংকু দাসে বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ কৰাৰ লগতে প্ৰতিদ্বন্দিতা আগবঢ়াই খেল বিভাগৰ (গুৰু)পদত কনক নাথে জয়লাভ কৰে। খেল বিভাগৰ (লঘু) পদত মুস্তাকিন হক, ছাত্ৰ কল্যাণ নিধিৰ পদত আৰিফ আহমেদ, সমাজ সেৱা সম্পাদকৰ পদত নিশিতা ডেকা, সংগীত সম্পাদকৰ পদত পাৰ্থ সাৰথি হুকাই,তৰ্ক সাহিত্যৰ পদত জ্যোতিষী ডেকাই বিনাপ্ৰতিদ্বন্দিতাৰে জয়লাভ কৰাৰ উপৰি প্ৰতিদ্বন্দিতা আগবঢ়াই আলোচনী সম্পাদকৰ পদত প্ৰীতি ৰেখা ডেকাই জয়লাভ কৰে। আনহাতে, ছাত্ৰ জিৰণি কোঠাৰ পদত সীমান্ত ডেকাই বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ কৰাৰ লগতে ছাত্ৰী জিৰণি কোঠাৰ পদত জুনমণি দেউৰীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াই জয়লাভ কৰে। বিজ্ঞান শাখাৰ কাৰ্যনিৰ্বাহক সদস্য হীৰক জ্যোতি দাসে প্ৰতিদ্বন্দিতা আগবঢ়ায় জয়লাভ কৰাৰ উপৰি ক'লা শাখাৰ কাৰ্যনিৰ্বাহক সদস্যৰ পদত ইলিয়াছ আহমেদ, বাণিজ্য শাখাৰ কাৰ্যনিৰ্বাহক সদস্যৰ পদত চাবৰিন চুলতানা,স্নাতকোত্তৰ কাৰ্যনিৰ্বাহক সদস্য পদত ৰাহুল গগৈয়ে বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ কৰে। আনহাতে, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী অংকিতা পাতৰে সাংস্কৃতিক সম্পাদক পদত জয়লাভ কৰে। ইফালে, মৰিগাঁও মহাবিদ্যালয়ৰ পৰা ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছুৰ সমৰ্থিত বিজয়ী প্ৰাৰ্থীক ৰাজপথৰে শোভাযাত্ৰা উলিয়াই উখল-মাখল পৰিৱেশত আদৰি আনি মৰিগাঁও আছুৰ কাৰ্যালয়ত সদৰ ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা আদৰণি অনুষ্ঠানত জয়লাভ কৰা ১৭ গৰাকীকৈ আছুৰ সমৰ্থিত বিজয়ী প্ৰাৰ্থীক মুকলিকৈ আদৰণি জনোৱা হয়।

# বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'পুনৰ মিলন'

**ই-সংবাদ, কলগাছিয়া, ১০ নৱেম্বৰ:** সম্প্ৰতি সময়ত অসমত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে শিক্ষা বিভাগ অধিক উন্নত, সময়োপযোগী শিক্ষাদান, বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ টনকিয়াল কৰাৰ উদ্দেশ্যে আগত ৰাখি ৰাজ্যখনৰ প্ৰতিখন বিদ্যালয়ত ইতিপূৰ্বে সেইখন বিদ্যালয়ত অধ্যয়ন কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক লৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ গঠন কৰিবলৈ এক নিৰ্দেশ দিয়া হৈছিল আৰু সেই উদ্দেশ্যে আগত ৰাখি প্ৰতিখন বিদ্যালয়ত এই কমিটি গঠন কৰা হৈছে। সেই অনুসৰি বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়তো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক লৈ এইখন কমিটি গঠন কৰা হৈছে। অতি আনন্দৰ বিষয় যে,বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ অসম তথা অসমৰ বাহিৰত বিভিন্ন প্ৰান্তত উচ্চ পদত চাকৰি কৰি বিদ্যালয়খনৰ এক গৌৰৱময় অনাবিল আনন্দৰ অধ্যায় জনসমাজত কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি এইখন বিদ্যালয়ৰ পৰা ১৯৮৪ ইং বৰ্ষত হাই স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে "পুনৰ মিলন" নামৰ এখন অনুষ্ঠান অনুষ্ঠিত কৰে। দিনটোৰ কাৰ্য্যক্ৰমণিকা অনুসৰি ৰাতিপুৱা সকলো ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় প্ৰাঙ্গণত মিলত হৈ নিজৰ নিজৰ পৰিচয় দাঙি ধৰে আৰু সকলোকে এখন কৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয় আৰু মৃত্যু হোৱা ৬ গৰাকী ছাত্ৰৰ আত্মাৰ সদগতিৰ কাৰণে এক মিনিট সময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পিছত অৱসৰী শিক্ষক সকলৰ জৰিয়তে বিদ্যালয় চৌহদত বৃক্ষৰোপণ কাৰ্য্যসূচী ৰূপায়ন কৰে। প্ৰাক্তন ছাত্ৰ তথা ভাৰত চৰকাৰৰ টেলিকম বিভাগৰ মাণ্ডলিক অভিযন্তা নজৰুল ইছলামৰ সঞ্চালনাত সভা অনুষ্ঠিত হয় আৰু অবসৰী ৭গৰাকী শিক্ষাগুৰুক সম্বাৰ্ধনা জনোৱা হয়।

### গাঁৱে গাঁৱে চলিছে অসুৰ নিধনৰ কুচ-কাৱাজ

# ৰাসক লৈ নগাঁৱৰ পশ্চিমাঞ্চলত চৰম ব্যস্ততামুখৰ পৰিৱেশ

**ই-সংবাদ, বেবেজীয়া, ১০ নবেম্বৰঃ** সাম্প্ৰতিক সময়ত সঘনাই সংঘটিত হৈ থকা হত্যা-হিংসা-ধৰ্ষণ আদি ঘটনাই সৰ্বস্তৰৰ লোককে এক অশান্তময় পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ বাধ্য কৰোৱাৰ সময়তে নগাঁও জিলাৰ পশ্চিম প্ৰান্তত গঞাৰাইজ এতিয়া সমাজৰ শান্তি বিনষ্টকাৰী অসুৰৰ নিধন যজ্ঞৰ বাবে কুচ-কাৱাজত ব্যস্ত থকা দেখিবলৈ পোৱা গৈছে । সমাজৰ চৌদিশে অব্যাহত থকা অশান্তময় পৰিবেশে অতিষ্ঠ কৰি তোলা গঞাৰাইজ যেন এতিয়া সংঘবদ্ধ হৈছে অশান্তিৰ বীজ ৰোপনকাৰীসকলক নাশ কৰি শান্তিৰ বাট প্ৰশস্ত কৰা কাৰ্যত । গতিকে জিলাখনৰ বেবেজীয়াকে ধৰি ইয়াৰ পাৰ্শ্বৱৰ্তী চকলাঘাট, জামুগুৰি, ডিমৌ, শেতালি, কুজিদাঁহ, কুৰুৱাবাহী, নমাটি, বালিসৰা, পেটবহা, জাগিয়াল, দক্ষিণপাট, ঘাঁহী, শেনচোৱা, বৰক'লা, বৰজহা, ডাকৰঘাট, হাতীচোং, ৰাইদঙীয়া, নসত্ৰ, আইভেটী, বৰছিলা, শিমলুতল, জাজৰি পাঘালী, মাজগাঁও, কহুৱাতলিকে ধৰি বহু অঞ্চলৰ গঞাই সম্প্ৰতি যুদ্ধংদেহী মনোভাবেৰে নামি পৰিছে অসুৰ বধৰ আখৰাত । কাজেই, বিগত এপষেক ধৰি প্ৰতিটো অঞ্চলতে থকা নামঘৰ, মন্দিৰ, বিদ্যালয়, ক্লাবঘৰ আদিত কণ কণ । শিশুৰ পৰা বৃদ্ধজনলৈকে সকলো একগোট হৈ বিয়লি ভাগৰে পৰা নিশাজুৰি চলোৱা অসুৰ বধৰ এনে আখৰাই উক্ত গ্ৰামাঞ্চলত চৰম ব্যস্ততামুখৰ পৰিবেশৰ সৃষ্টি কৰিছে । কিয়নো, প্ৰতি বছৰৰ দৰেই এইবেলিও সমাগত ৰাস উৎসৱত বিভিন্ন কাৰ্যসূচীৰ লগতে নিশাৰ ভাগত অসমীয়া ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে । সেয়ে ৰাস উৎসৱৰ আয়োজনৰ দিহা কৰা গ্ৰামাঞ্চলবোৰত এতিয়া চলিছে অসমীয়া ভাওনাক কেন্দ্ৰ কৰি গাঁওবাসীৰ এনে তৎপৰতা । সকলো সমানে ওলাই আহি ব্যাপক ৰূপত অব্যাহত ৰাখিছে ৰাম বিজয়, মায়া-চন্দন, বকাসুৰ বধ, দুঃশাসনৰ ৰক্তপান, শকুনিৰ প্ৰতিশোধ, কালীয় দমন, বালীবধ, দাতাকৰ্ণ, ৰাৱণ বধ, বৃত্ৰাসুৰ বধকে ধৰি বহুসংখ্যক অসমীয়া ভাওনাৰ প্ৰয়োজনীয় আখৰাত । যাৰ পৰিণতিত এতিয়া উক্ত গ্ৰামাঞ্চলবোৰৰ চৌপাশ আবেলিৰে পৰা খোল-তাল-ডবা-নাগাৰা কিম্বা ব্ৰজাৱলী ভাষাৰ কাব্যিক বচনেৰে মুখৰিত হৈ পৰা পৰিলক্ষিত হৈছে । প্ৰকাশ কৰিব পাৰি যে, শৰৎ কালৰ এই মন-প্ৰাণ মতলীয়া কৰা এই সময়ছোৱাত পৃথকে পৃথকে কেইবাদিনো ধৰি অনুষ্ঠিত কৰি অহা ৰাস উৎসৱত আন সাংস্কৃতিক কাৰ্যসূচীৰ লগতে মহাপুৰুষজনাৰ অমৰ সৃষ্টি নাট-ভাওনাই বিশেষ উল্লেখনীয় ভূমিকা গ্ৰহন কৰি আহিছে

# বেবেজীয়াত কেঞ্চাৰ সজাগতা অনুষ্ঠান আৰু বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**বেবেজীয়া, ১০ নবেম্বৰঃ** নগাঁও জিলাৰ বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দেওঁবাৰে ডাঃ ভৱেন্দ্ৰনাথ হাজৰিকা আৰু পুষ্পা হাজৰিকা স্মাৰক ন্যাসৰ উদ্যোগত তথা দ্বীপশিখা কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ সহযোগত এক কেঞ্চাৰ সজাগত অনুষ্ঠান আৰু বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয় । শিবিৰত শিশুৰোগ বিশেষজ্ঞ ডাঃ আকাশী হাজৰিকা, ডাঃ নিজাম খান, স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ বিভা বৰা গায়ন, ডাঃ খ্ৰীষ্টজ্যোতি শইকীয়া আদিয়ে শতাধিক ৰোগীক চিকিৎসা সেৱা আগবঢ়োৱাৰ বিপৰীতে দ্বীপশিখা কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ দ্বাৰা ৩০ গৰাকী মহিলাক ব্যয়বহুল মেম'গ্ৰাম পৰীক্ষা বিনামূলীয়াকৈ প্ৰদান কৰা হয় । এই মৰ্মে, অনুষ্ঠিত হোৱা শুভাৰম্ভনি অনুষ্ঠানত ন্যাসৰ মুখ্য সঞ্চালিকা ডাঃ আকাশী হাজৰিকাই শিবিৰটো আয়োজনৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে--কেঞ্চাৰ নিৰৱ ঘাটক । সজাগতাই সাধাৰণ মানুহৰ মাজত এই ৰোগৰ বিস্তাৰ বহুখিনি হ্ৰাস কৰিব পাৰি । প্ৰতি বছৰে বিশ্বত ৪ লাখকৈ শিশু কেঞ্চাৰত আক্ৰান্ত হয় । ভাৰতবৰ্ষত প্ৰতি ২৮৫ জন শিশুৰ ভিতৰত এজন শিশু কেঞ্চাৰত আক্ৰান্ত হয় । শিশুসকলৰ কেঞ্চাৰ অলপ বেলেগ । শিশুৰ সাধাৰণতে ৰক্তজনিত কেঞ্চাৰ হয় যাক লিউকোমিয়া বুলি কয় । শিশু এটাৰ মাহে মাহে জ্বৰ, পেটৰ বিষ, স্বাস্থ্য একেবাৰে বেয়া হোৱা, সঘনাই মূৰৰ বিষ আৰু বমি হোৱা আদিবোৰ কেঞ্চাৰৰ লক্ষণ হ'ব পাৰে । তেওঁ মহিলাসকলৰ স্তনৰ কেঞ্চাৰ বেচিকৈ হয় বুলি উল্লেখ কৰি মহিলা এগৰাকীয়ে নিজে কেনেকৈ নিজৰ স্তন পৰীক্ষা কৰিব লাগে সেই সন্দৰ্ভত বহলাই কয় । অনুষ্ঠানত দ্বীপশিখা কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ সাধাৰণ সম্পাদিকা মৃন্ময়ী বৰুৱাই ফাউণ্ডেচনে প্ৰতিষ্ঠাপক দেৱাশীষ শৰ্মাৰ নেতৃত্বত ২০০৪ চনৰ পৰা বৰ্তমানলৈকে কেঞ্চাৰৰ বিৰুদ্ধে চলাই থকা যুঁজখনৰ বিষয়ে অৱগত কৰি কয় যে--কেঞ্চাৰ যিমান সোনকালে ধৰা পেলাব পাৰি সিমানেই ৰোগীজনৰ বাবে মংগল । তৎকালীন চিনাক্তকৰণে কৰ্কটৰোগ নিৰাময় কৰাত সহায় কৰে । কেঞ্চাৰৰ সজাগতা মিশ্যনটোক মানুহৰ পদুলি মুখলৈ লৈ যাব লাগে বুলি উল্লেখ কৰি তেওঁ লগতে ফাউণ্ডেচনে ৰোগীক ঘৰতে সহায় কৰাৰ বাবে আৰম্ভ কৰা 'সুৰক্ষা আঁচনি'ৰ বিষয়েও অৱগত কৰে । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট কবি, সুচিকিৎসক ডাঃ প্ৰয়াগ শইকীয়া, নগাঁও চিকিৎসা মহাবিদ্যালয় বিশেষজ্ঞ চিকিৎসক ডাঃ নিজাম খান, ডাঃ বিভা বৰা গায়ন আৰু ৰাম্না হিলৈদাৰীয়ে কেঞ্চাৰৰ সজাগতাৰ বিষয়ত বক্তব্য ৰাখে । অনুষ্ঠানত বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰূপা বৰদলৈ, বেবেজীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিজয়া ৰাজখোৱা, গাঁও প্ৰধান বিতুল কাকতি, প্ৰেছ ক্লাৱ বেবেজীয়াৰ উপ সভাপতি কল্যাণ কুমাৰ বৰা, অৱসৰী শিক্ষক মহেশ্বৰ হাজৰিকা, লক্ষ্মী নাৰায়ণ বৰা, শিক্ষক পৱন বৰা, ন্যাসৰ কৰ্মকৰ্তা আকাংক্ষা শৰ্মা, মৃদুল দেৱনাথকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে ।

# ১০৪ সংখ্যক বামুনপুখুৰী ৰাস মহোৎসৱৰ প্ৰস্তুতি



**ই-সংবাদ, মৰিয়নি , ১০ নৱেম্বৰঃ** সমগ্ৰ অসমৰ লগতে ইতিহাস প্ৰসিদ্ধ ১৯২১ চনত প্ৰতিষ্ঠা হোৱা বামুনপুখুৰী ৰাস মহোৎসৱৰ পূৰ্ণ প্ৰস্তুতি সম্পন্ন হৈছে। ১৪, ১৫ আৰু ১৬ নৱেম্বৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হব লগা ৰাস মহোৎসৱৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা নাম প্ৰসংগ অনুষ্ঠানত নামাচাৰ্য হিচাপে অংশগ্ৰহণ কৰিব শ্ৰীশ্ৰী ৰত্নাকৰ সত্ৰৰ প্ৰবীণ গোস্বামীয়ে। ধৰ্মধ্বজা উত্তোলন কৰিব ৰত্নাকৰ সত্ৰৰ প্ৰণৱ গোস্বামীয়ে আৰু স্মৃতি তৰ্পণ কৰিব স্থানীয় সমাজসেৱী খগেন্দ্ৰ নাথ বৰাই। ইয়াৰ পিছত দিনজোৱা ধৰ্মীয় অনুষ্ঠান আৰু অধিবাস পূজা আৰম্ভ হব। সন্ধ্যা অনুষ্ঠিত হব লগা শ্ৰীশ্ৰীকৃষ্ণৰ শিশুলীলা নাট্যাভিনয়ৰ মঞ্চ উদ্বোধন কৰিব যোৰহাট লোক সভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে। উক্ত দিনা দৈৱকী চৰিত্ৰত অভিনয় কৰিব অসমীয়া বোলছবি জগতৰ নায়িকা নিশিতা গোস্বামীয়ে। দ্বিতীয় দিনা দিনৰ বিস্তৃত কাৰ্যসূচী লগতে সন্ধ্যা অনুষ্ঠিত লগা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু কংস বধ নাট্যাভিনয়ৰ মঞ্চ উদ্বোধন কৰিব শিৱসাগৰ বিধান সভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। উক্ত দিনা ৰাস অভিনয়ৰ প্ৰাক মুহূৰ্তত হব লগা কীৰ্তি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠানটো আঁত ধৰিব বসন্ত গগৈয়ে। উক্ত দিনা অভিনয় কৰিব বিশেষ ভাৱে নিমন্ত্ৰিত অসমীয়া ছবি জগতৰ মোহময়ী অভিনেত্ৰী মেঘৰঞ্জনী মেধীয়ে। শেষৰ দিনা পূজা বিসৰ্জনকে ধৰি ধৰ্মীয় কাৰ্যসূচীৰ লগতে ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকণ আৰু কুইজ প্ৰতিযোগিতা হব। বিয়লি অনুষ্ঠিত হব লগা সীমান্ত বৰাই আঁত ধৰা বঁটা বিতৰণি সভাত বিশেষ ভাৱে উপস্থিত থাকিব মৰিয়ণী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী। উক্ত নিশা বামুনপুখুৰী বৰা গাঁওৰ বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠীয়ে পৰিবেশন কৰিব "মৎস্য অৱতাৰ" শীৰ্ষক ভাওনা। উক্ত সমূহ কাৰ্যসূচীত স্থায়ী সমিতিৰ সভাপতি খগেন্দ্ৰ নাথ বৰা, সম্পাদক বিনোদ ৰঞ্জন হাজৰিকা, শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ উদ্যাপন সমিতিৰ সভাপতি ৰাতুল বড়া, সম্পাদক অৰূপ হাজৰিকা, কাৰ্যকৰী সভাপতি দীপক গগৈ (মিণ্টু), প্ৰদীপ গগৈ, হৰেন বুঢ়াগোহাঁই আৰু যুটীয়া সম্পাদক মনোজ বৰুৱা আৰু ভাস্কৰ বৰাই ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

## ‘এইবাৰ বিজেপি আৰু ছদ্মবেশী বিজেপিৰ বিৰুদ্ধে যুঁজ হ’ব’

# বিহালীত চিপিআই (এম এল)ৰ বিশাল নিৰ্বাচনী সভাত লুৰীণজ্যোতি

**ই-সংবাদ, বিশ্বনাথ, ১০ নৱেম্বৰঃ** আজি বিহালীৰ বৰগাংত অসম সন্মিলীত মৰ্চাৰ সমৰ্থিত চিপিআই (এমএল) দলৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীৰ সমৰ্থনত দুই সহস্ৰাধিক লোকৰ সমদল আৰু বৰগাং ৰঙ্গমঞ্চত বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত হয়। নিউ কেটলা চাহ বাগিচাৰ খেলপথাৰৰ পৰা বৰগাং চেন্টাৰৰ মাজমজিয়াইদি সমৰ্থক সকলে বিভিন্ন শ্লোগানৰে সমদল কৰি বৰগাঙ ৰংগমঞ্চত সমবেত হয়। ইয়াৰ পিছতে অনুষ্ঠিত ৰাজহুৱা সভাত প্ৰথমে অসম সন্মিলীত মৰ্চাৰ সম্পাদক লুৰীণজ্যোতি গগৈয়ে সভাক উদ্দেশ্যি দিয়া ভাষণত বিজেপি কংগ্ৰেছ দুয়োটা দলকে তীব্ৰ সমালোচনা কৰে। লুৰীণজ্যোতি গগৈয়ে কয় যে, "এইবাৰ উপ-নিৰ্বাচনত প্ৰতিটো সমষ্টিত মই, অখিল গগৈ, অজিৎ ভূঞা আমি সকলোৱে বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ নিৰ্বাচনত যুঁজ দিলোঁ হেতেন। কিন্তু দুখৰ কথা কংগ্ৰেছ দলে সন্মিলীত মৰ্চাক, অসমৰ ৰাইজক প্ৰতাৰণা কৰি মৰ্চাৰ পৰা উলাই গৈ মনে মনে বিহালীত প্ৰাৰ্থী দিলে। বিহালীত দিলেও দিলে এনে এগৰাকী প্ৰাৰ্থী যি গৰাকী বিজেপি দলৰ মানুহ। গতিকে বিহালীবাসীয়ে এতিয়া এগৰাকী পোনপটীয়া বিজেপি আৰু এগৰাকী কংগ্ৰেছ দলৰ ছদ্মবেশী বিজেপিৰ বিৰুদ্ধে সততা আৰু ন্যায়ক প্ৰতিষ্ঠা কৰিবলৈ যুঁজ দিব লাগিব আৰু লক্ষ্মীকান্ত কুৰ্মীক জয়যুক্ত কৰিব লাগিব।" সভাত ৰাইজৰ দলক প্ৰতিনিধিত্ব কৰা কেন্দ্ৰীয় নেতা অলক নাথে বক্তব্য প্ৰদান কৰি কয় যে, বিজেপিৰ সাম্প্ৰদায়িক বিভাজনৰ ৰাজনীতি, ৰাজহুৱা সম্পদ ব্যক্তিগত কৰণৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে নিৰ্বাচনত অৱতীৰ্ণ হৈছো যেতিয়া কংগ্ৰেছ দলৰ বিৰুদ্ধেও যুঁজ দিব লাগিব। বিজেপিৰ মন্ত্ৰী বিধায়কে বিহালীত ভিৰ কৰি উগ্ৰপন্থী কাৰ্য্যকলাপৰ বিভীষিকাৰ উত্তেজনা সৃষ্টি কৰি কংগ্ৰেছৰ বিৰুদ্ধে প্ৰচাৰ কৰিবলৈ লাজ লাগিব লাগিছিল। সেইসময়ত কংগ্ৰেছৰ চৰকাৰ আছিল সঁচা কিন্তু সেইসময়ত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সোহাত আছিল বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মা। সেই সময়ৰ কংগ্ৰেছ চৰকাৰ দল পৰিচালনা কৰা সকলো বৰ্তমান বিজেপি চৰকাৰৰ মানুহ। গতিকে ৰাইজে এইবোৰ চলাহী কথাত ভোল নাযাবলৈ আহ্বান জনায়। ২০২৬ ত বিজেপি চৰকাৰ পৰাস্ত কৰিব পাৰিব সন্মিলীত মৰ্চাৰ ঐক্যবদ্ধ প্ৰচেষ্টাতহে। কংগ্ৰেছ দলৰ ভুল অংকাৰৰো এই নিৰ্বাচনতে আপোনালোকে প্ৰত্যুত্তৰ দি লক্ষ্মীকান্ত কুৰ্মীক এই তিনিটা দিন কষ্ট কৰি জয়যুক্ত কৰিবলৈ ৰাইজৰ দলৰ নেতা গৰাকীয়ে আহ্বান জনায়। সভাত চিপিআই (এম) দলৰ কেন্দ্ৰীয় নেতা নিৰঙ্কুশ নাথে বক্তব্য প্ৰদান কৰি কয় যে, লাল ঝাণ্ডা নিজিকে বুলি কৈ থকা সকলে চিন্তা কৰক দেশৰ আটাইতকৈ শিক্ষিত লোকৰ ৰাজ্য কেৰালাত লাল ঝাণ্ডাই চৰকাৰ চলাইছ আৰু সু-শাসন কৰিছে। যেতিয়ালৈকে লাল ঝাণ্ডা নিজিকে তেতিয়ালৈকে জনসাধাৰণৰ সমস্যা সমাধান আৰু প্ৰকৃত পৰিৱৰ্তন হ'ব নোৱাৰে বুলি কয়। পিএনপি দলৰ উপ-সভাপতি তথা অসম আন্দোলনৰ সময়ত কৰ্মচাৰী সকলক নেতৃত্ব দিয়া চৰণ ডেকাই সভাত অংশগ্ৰহণ কৰি বক্তব্যত বিজেপি চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে এই উপ-নিৰ্বাচনত সংগ্ৰামী নেতা জনসাধাৰণৰ বিপদৰ সময়ত কাষত পোৱা লক্ষ্মীকান্ত কুৰ্মীক জয়যুক্ত কৰি প্ৰত্যুত্তৰ দিবলৈ আহ্বান জনায়। কাৰ্বি আংলংৰ পৰা জন ইংতি কাথাৰৰ নেতৃত্বৰ অল পাৰ্টি হিলছ লিডাৰচ ইউনিয়নৰ চাৰ চিং বে' য়ে প্ৰতিনিধিত্ব কৰি বক্তব্য প্ৰদান কৰি উত্তাল ভাষণ দি আগন্তুক দুদিন বিহালীৰ কাৰ্বি লোকসকলৰ মাজলৈ গৈ সন্মিলীত প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব বুলি কয়। প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীয়ে বক্তব্য প্ৰদান কৰি বিহালীত বিজেপি দলে চাহ শ্ৰমিক দুখীয়া ৰাইজক কৰি অহা প্ৰতাৰণাৰ কথা উল্লেখ কৰি কয় যে, যেতিয়া কেটলা চাহ বাগিচাত লকআউট হৈছিল চাহ শ্ৰমিক সকলৰ হাহাকাৰ হৈছিল সেই সময়ত এতিয়া বিহালীক মিনি দিছপুৰলৈ পৰিণত কৰা মন্ত্ৰী বিধায়ক সকলে এবাৰলৈ আহিছিল নে বুলি বক্তব্যত কোৱাৰ উপৰিও বসুন্ধৰা ০১, ০২, ০৩ হ'ল, কিন্তু চাহ শ্ৰমিকসকলৰ মাটিৰ পট্টা নহ'ল বুলিও কয়। বিশ্বনাথ জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি অজিৎ কুৰ্মীয়ে সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰত, অসমত দহ বছৰে বিজেপি দলৰ চৰকাৰ থকাৰ পিছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৰগাংত আজিলৈকে ইন্টাৰচিটি ৰেল ৰখাৰ ব্যৱস্থা নকৰাকৈ এতিয়া নিৰ্বাচনত প্ৰতিশ্ৰুতিৰ টোপ দিবলৈ লাজ লাগিব লাগিছিল বুলি কয়। শেষত চিপিআই (এম-এল)ৰ ৰাজ্যিক সম্পাদক বিবেক দাসে "বিহালীৰ কলাপানী চাহ বাগিচাৰ ঐতিহাসিক জাহাজ ফিল্ড কোম্পানীয়ে দখল কৰি চাহ গছ লগাওতে চিপিআই (এম-এল)য়ে আন্দোলন কৰিব লগীয়া হৈছিল তেতিয়া বিধায়ক ৰঞ্জিত দত্ত ক'লৈ গৈছিল বুলি প্ৰশ্ন কৰে।

## সুধাকণ্ঠৰ গীত আমি বাস্তৱত হৃদয়ংগম কৰিব লাগিব

# সুৰ মঞ্জৰী সংগীত কুঞ্জ, অসমৰ সুধাকণ্ঠ স্মৰণ

**ই-সংবাদ, গুৱাহাটী, ১০ নৱেম্বৰঃ** আজি "সুৰ মঞ্জৰী সংগীত কুঞ্জ, অসম"ৰ উদ্যোগত মহানগৰীৰ বেলতলাস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতন প্ৰাংগনত বিশ্ববিশ্ৰুত শিল্পী, ভাৰতৰত্ন, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পবিত্ৰ স্মৃতি দিৱস গীতে-মাতে-কথাৰে উদযাপন কৰে। সংগীত কুঞ্জ, অসমৰ সভাপতি পদ্মনাথ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত বিচিত্ৰ অনুষ্ঠানটোৰ আদিতে বৰেণ্য শিল্পী ভূপেন হাজৰিকাৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ অৰ্পণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য, সাংবাদিক,কবি দীপক শৰ্মাই। সংগীত কুঞ্জ, অসমৰ সাধাৰণ সম্পাদক হিমানী গোস্বামীয়ে আত ধৰা, উদ্দেশ্য ব্যাখ্যা কৰা সভাত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ, অসম প্ৰদেশ কমিটিৰ কাৰ্যকৰী সভাপতি দেৱেশ্বৰ কলিতাই নিমন্ত্ৰীত অতিথিৰ ভাষণত শিল্পী সুধা ভূপেন হাজৰিকা নাছিল কি বুলি মন্তব্য কৰে। এগৰাকী যুগ স্ৰষ্টাশিল্পী, সৰ্য়্যগুণাকৰ বুলি মন্তব্য দাঙি ধৰে। অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া ধ্ৰুৱজ্যোতি তামুলীয়ে কয়- ভূপেন হাজৰিকাই সভ্যতা, সংস্কৃতি, সাহিত্য, শিক্ষা, সমাজ সকলোতে বিচৰণ কৰিছিল। সাহিত্যিক-সাংবাদিক দীপক শৰ্মাই কয়, "ভূপেন হাজৰিকাৰ অনন্য সৃষ্টি মানুহে মানুহৰ বাবে গীতটো গাই থাকিলে নহ'ব, ইয়াক বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰিব লাগিব। বৰ্তমান বৰ জটিল সন্ধিক্ষণত আমি উপনিত হৈছোঁ। আমি সেয়েহে অতি আন্তৰিকতাৰে সমাজখন আগুৱাই নিবৰ বাবে নিজ ঘৰখনৰ পৰা আগবাঢ়িব লাগিব।" সভাত লোক -সংস্কৃতিৰ গৱেষক, সাহিত্যিক ধীৰেন শৰ্মাই অতিথিৰ ভাষণত ভূপেনদাৰ বিশাল ব্যক্তিত্ব বিশাল কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰে। ভূপেন হাজৰিকাৰ ভিন-ভিন গীত পৰিৱেশন কৰে।

## ‘অসম সাহিত্য সভাক লৈ মই কোনো মন্তব্য নিদিও এতিয়া’

# সাহিত্য সভাৰ বিৰ্তকত নীৰৱ বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছি

**ই-সংবাদ, ডিব্ৰুগড়, ১০ নৱেম্বৰঃ** বিতৰ্কই লগ নেৰা অসম সাহিত্য সভাক আক্ষেপভৰা মন্তব্য কৰিছে অসমীয়া ভাষা-সাহিত্যৰ মহীৰূহ তথা পদ্মশ্ৰী য়েছে দৰজে ঠংচিয়ে। অসম সাহিত্য সভাত চলি থকা পদবীকেন্দ্ৰীক বিতৰ্কিত বিষয় সন্দৰ্ভত এই কথা সাংবাদিকে প্ৰশ্ন কৰাত বৰেণ্য সাহিত্যিক য়েছে দৰজে ঠংছিয়ে কয় যে, মোৰ ক'বলৈ কোনো ভাষা নাই। অসম সাহিত্য সভাৰ বিষয়ে কোৱাৰ অধিকাৰো মোৰ নাই। গতিকে এই বিষয়ে একো নকওঁ। উল্লেখযোগ্য যোৱা ৯ নবেম্বৰত ডিব্ৰুগড়ত কুশল কোঁৱৰৰ কাব্যগ্ৰন্থ 'শিলভঙা মানুহ' উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে। ডিব্ৰুগড় চহৰৰ থানা চাৰিআলিস্থিত শিলপোতা ভৱনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিকজনে নিজৰ ভাষণত কয় যে, অসমীয়া মানুহে পূৰ্বৰ আন্দোলনমুখী মনোভাৱ এৰি এতিয়া কৰ্মমুখী মনোভাৱ গ্ৰহণ কৰিছে। এয়া আমাৰ সকলোৰে বাবে মংগলজনক। চিফুং গোষ্ঠীৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্য একাডেমীৰ বঁটাপ্ৰাপক পদ্মশ্ৰী তথা বিভিন্ন বঁটা বাহন লাভ কৰা ঠংচিয়ে লগতে কয় যে, আগতে আমাৰ মানুহে ব্যৱসায় নকৰিছিল। অসম তথা উত্তৰ-পূৰ্বৰ মানুহে একো নকৰিছিল। ৰাজস্থানৰ পৰা অহা মাৰোৱাৰী ভাইসকলেহে ব্যৱসায় কৰিছিল। আমি নিজে একো নকৰি তেওঁলোকক গালি পাৰিছিলো। কিন্তু সাম্প্ৰতিক সময়ত অসমীয়া মানুহে ব্যৱসায়-বাণিজ্যত মনোনিবেশ কৰিছে। তেওঁ লগতে কয় যে, আগতে অসম বুলি ক'লে কেৱল আন্দোলন আৰু আন্দোলন। ইটানগৰৰ পৰা লক্ষীমপুৰলৈ আহিবলৈ দহবাৰ ভাবিব লাগে। ভাবো যে ক'ত বা আন্দোলন হৈ আছে। কোন ঠাইত বা টায়াৰ জ্বলিছে, পথ বন্ধ হৈ আছে তাৰ কোনো ঠিক নাছিল। সৰু সৰু কথাতে আন্দোলন হৈছিল। পূৰ্বতে নিজে একো নকৰি আনকহে দোষ দিয়াৰ প্ৰৱণতা গঢ়ি উঠিছিল। আমি যদি নিজে একো নকৰো, আনে কি কৰি দিব। কিন্তু আজি অসমীয়াসকলে বহু আগবাঢ়ি গৈছে। আগতে আমি মাৰোৱাৰী, বিহাৰী, বঙালী মানুহৰ দোকান-পোহাৰ দেখিছিলো। আজিকালি অসমীয়া মানুহে ব্যৱসায়ত আত্মনিয়োগ কৰাত তেওঁলোকৰ বহুত দোকান-পোহাৰ, হোটেল আদি হৈছে। অসমীয়া মানুহে আগবাঢ়ি গৈ আছে। অসম আগবঢ়া মানে উত্তৰ-পূৰ বিশেষকৈ অৰুণাচল প্ৰদেশো তাৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। অসমীয়া মানুহে অনা-অসমীয়া ব্যৱসায়ীৰ সৈতে ফেৰ মাৰিব পৰা হৈছে। একাংশই কৃষি কৰ্মত আত্মনিয়োগ কৰিছে। সকলোৱে কিবা এটা কৰি আগবাঢ়ি যাবলৈ চেষ্টা কৰিছে। এয়া যোগাত্মক দিশ। আন এক প্ৰসংগত বিশিষ্ট সাহিত্যিকজনে কয় যে, আগতে আমি ইটানগৰৰ পৰা ডিব্ৰুগড়লৈ আহিবলৈ চিন্তা কৰিবলগীয়া হৈছিল। এতিয়া ডিব্ৰুগড়লৈ আহি সভা-সমিতিত অংশ লৈ ঘূৰি যাব পাৰি। আন্তঃগাঁথনিৰ উন্নয়ন হৈছে। আমি সকলোৱে ইয়াৰ সুবিধা গ্ৰহণ কৰি আগবাঢ়ি যাব লাগিব। উল্লেখযোগ্য যে, এই অনুষ্ঠানত বিশিষ্ট টাই পণ্ডিত, চিন্তাবিদ চিত্ৰশিল্পী পুষ্প গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি নোমল চন্দ্ৰ গগৈ, য়েছে দৰজে ঠংচিৰ পত্নী ইনু ঠংচি, বিশিষ্ট কবি তুলিকা চেতিয়া য়েইন উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত উদ্দেশ্যে ব্যাখ্যা কৰে সাংবাদিক হিৰণ্য বৰাই।

# বিশিষ্ট সমাজসেৱক পূৰ্ণচন্দ্ৰ গায়নৰ পৰলোক

**ই-সংবাদ, পুৰণিগুদাম, ১০ নৱেম্বৰ:** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদাম গায়ন-বৈৰাগীগাঁৱৰ নিবাসী পুৰণিগুদামৰ মহীৰূহ সদৃশ বিশিষ্ট সমাজসেৱক, সু-সংগঠক, বিশিষ্ট অভিনেতা তথা হালোৱাগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক পূৰ্ণচন্দ্ৰ গায়ন (৮৯) ৰ বাৰ্ধক্যজনিত কাৰণত কালি সন্ধিয়া ৭-৩০ বজাত নিজা বাসভৱনত মৃত্যু হয়। পুৰণিগুদাম আঞ্চলিক ৰাস উৎসৱৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতিগৰাকীৰ আকস্মিক মৃত্যুত সমিতিৰ কৰ্মকৰ্তা সকলৰ লগতে অঞ্চলটোত গভীৰ শোঁকৰ ছাঁ পৰিছে। ১৯৩৬ চনত জন্মগ্ৰহণ কৰা পূৰ্ণচন্দ্ৰ গায়নে শিক্ষাজীৱন আৰম্ভ কৰে মুক্তাৰ প্ৰাথমিক বিদ্যালয়ত। উচ্চশিক্ষা সমাপ্ত কৰি পৰৱৰ্তী সময়ত তেওঁ টংলা উচ্চ মাধ্যমিক বিদ্যালয় আৰু পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত (উচ্চ মাধ্যমিক বিদ্যালয় হৈ থকা কালত) শিক্ষকতা জীৱন আৰম্ভ কৰে। পাছত স্ত্ৰী শিক্ষাক প্ৰাধান্য দিয়াৰ উদ্দেশ্যে প্ৰতিষ্ঠা হোৱা বৃহত্তৰ পুৰণিগুদামৰ দ্বিতীয়খন বালিকা উচ্চ মাধ্যমিক বিদ্যালয় হালোৱাগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে যোগদান কৰে আৰু বিদ্যালয়খনিক এখনি আগশাৰীৰ বিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰি নিষ্ঠা আৰু সততাৰ পৰিচয় দাঙি ধৰে। বিশিষ্ট শিক্ষাবিদগৰাকীয়ে ১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰে। নগাঁও জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ সভাপতি আৰু সম্পাদক হিচাপে গধুৰ দায়িত্ব পালন কৰি সন্থাক উজ্জীৱিত কৰাৰ লগতে আন্তঃজিলা পৰীক্ষা পৰিষদৰ সভাপতি আৰু সম্পাদকৰ আসনো শুৱনি কৰিছিল।

# দক্ষিণ -পশ্চিম আঞ্চলিক ৰাস মহোৎসৱৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১০ নৱেম্বৰঃ** ৰঙিয়াৰ মহখলিস্থিত হৰিমন্দিৰ প্ৰাংগণত ২৬ সংখ্যক দক্ষিণ-পশ্চিম আঞ্চলিক ৰাস মহোৎসৱৰ ব্যাপক আয়োজন কৰা হৈছে। অহা ১৫ নৱেম্বৰৰ পৰা ৭ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা ৰাস মহোৎসৱ পৰিচালনাৰ্থে স্থানীয় বিধায়ক ভৱেশ কলিতাক সভাপতি, অৰবিন্দ বৈশ্যক কাৰ্যকৰী সভাপতি, উদ্ধৱ দাস, অমৃত চৌধুৰী ,হৰেশ্বৰ দাস ,হিতেশ্বৰ কলিতাক উপ সভাপতি পঙ্কজ ডেকাক মূখ্য সম্পাদক ,প্ৰণৱ বৈশ্য আৰু পৰেশ ডেকাক যুটীয়া সম্পাদক তথা জয়ন্ত বৈশ্য আৰু প্ৰদীপ বৈশ্যক সহকাৰী সম্পাদক হিচাবে লৈ উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা হৰিমন্দিৰৰ পতাকা উত্তোলন, ধৰ্মধ্বজা উত্তোলন, কাৰ্যালয় উদ্বোধন, স্মৃতি তৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সন্ধিয়া প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন, মুখ্য দ্বাৰ উন্মোচন, বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দিনা সন্ধিয়া বীনাপাণি থিয়েটাৰৰ নাট প্ৰদৰ্শন। পঞ্চম দিনাৰ আকৰ্ষণীয় কাৰ্যসূচী হিচাবে সন্ধিয়া আছে কমল কৃষ্ণ নাথৰ নাগাৰা নামৰ অনুষ্ঠান। ষষ্ঠ দিনা সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ লগতে সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে অন্তিম দিনা নিশাৰ ভাগত অনুষ্ঠিত হ'বলগা সাংস্কৃতিক সন্ধিয়াত পাপৰি গগৈ আৰু পাৰ্থপ্ৰতীম বৈশ্যই অনুষ্ঠান পৰিৱেশন কৰিব।

# বছাপথাৰত খাদ্যত বিষক্ৰিয়া, কুৰিজনৰো অধিক লোক চিকিৎসাধীন

**ই-সংবাদ, সৰুপথাৰ, ১০ নৱেম্বৰঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰ মৌজাৰ বছাপথাৰত খাদ্যত বিষক্ৰিয়া ঘটি চাৰিজন শিশুসহ ২৫ গৰাকী লোক চিকিৎসাধীন হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে কালি অঞ্চলটোৰ প্ৰবীন বড়ো নামৰ এজন লোকৰ ঘৰত অনুষ্ঠিত শুদ্ধি সবাহত অংশগ্ৰহণ কৰা লোকসকলৰ একাংশ আক্ৰান্ত হৈ বৰ্তমান সৰুপথাৰৰ চিকিৎসালয়ত ভৰ্তি হৈ আছে। উক্ত অনুষ্ঠানত খাদ্য গ্ৰহণ কৰাৰ পাছতে লোকসকলে অত্যন্ত পেটৰ বিষত ভোগে। শেহতীয়া তথ্য অনুসৰি আক্ৰান্ত আটাইকেইজন লোক বিপদমুক্ত বুলি কোৱা হৈছে।

# হাজো ধোপৰগুৰি সত্ৰত অখণ্ড মহা পালনাম

**ই-সংবাদ, হাজো, ১০ নৱেম্বৰ :** মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত হাজো ধোপৰগুৰি সত্ৰত অনুষ্ঠিত হোৱা ২৪ ঘণ্টাজোৰা অখণ্ড মহাপালনামৰ আজি সফল সামৰণি পৰে। হাজো ধোপৰগুৰি সত্ৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা মহাপালনামৰ কালি পুৱা দহ বজাত শুভাৰম্ভ কৰে নামাচাৰ্য কৌস্তভমণি দাসে। এই মহাপালনামত বৰপেটা, শুৱালকুছি, গুৱাহাটী কেন্দুকোনা, ৰঙিয়া আদিৰ বাপ, বান্ধৱ তথা ভকতসকলে অংশগ্ৰহণ কৰি হৰিনামৰ ধ্বনিৰে আকাশ বতাহ মুখৰিত কৰি তোলে হাজোৰ আকাশ বতাহ। উদযাপন সমিতিয়ে জানিব দিয়া অনুসৰি মহাপালনামত হাজোৰ লগতে দাঁতি-কাষৰীয়া অঞ্চলৰ প্ৰায় পাঁচ সহস্ৰাধিক ভক্তৰ সমাগম হয়। কালিৰে পৰা আৰম্ভ হোৱা অখণ্ড মহাপালনামৰ আজি পুৱা দহ বজাত সামৰণি পৰে।

### ডিব্ৰুগড় জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত

# ডিব্ৰুগড়ৰ বিভিন্ন স্থানত ৰাষ্ট্ৰীয় আইন সেৱা দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১০ নৱেম্বৰঃ** দেশজুৰি পালন কৰা ৰাষ্ট্ৰীয় আইন সেৱা দিৱস কাৰ্যসূচী ডিব্ৰুগড় জিলাতো বিস্তৃতভাৱে পালন কৰা হয়। এই উপলক্ষে ডিব্ৰুগড় জিলা আইন সেৱা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকসকলে শনিবাৰে জিলাখনৰ বিভিন্ন স্থানত পৃথকে পৃথকে দিৱসটি পালন কৰে। এই দিৱস পালনৰ জৰিয়তে স্বেচ্ছাসেৱক আৰু সমল ব্যক্তি সকলে জিলা আইন সেৱা প্ৰাধিকৰণৰ কামকাজ সম্পৰ্কে উপস্থিত লোকসকলক অৱগত কৰে। তদুপৰি শিশু, মহিলাসকলৰ লগতে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকল ন্যায় প্ৰাপ্তিৰ দিশত প্ৰাধিকৰণৰ তৰফৰ পৰা আগবঢ়োৱা বিনামূলীয়া আইন সেৱাৰ সুযোগ গ্ৰহণ কৰিবলৈ স্বেচ্ছাসেৱকসকলে ৰাইজৰ প্ৰতি আহ্বান জনায়। ডিব্ৰুগড় জিলাৰ ধেমেচী, ন-খাট, চাচনী মেৰবিল, মথাৰনী, ঘিনাই, থানাইচুক, আমগুৰি আদি ঠাইতো ৰাষ্ট্ৰয় আইন সেৱা দিৱস পালন কৰা হয়।

# মুখ্যমন্ত্ৰীৰ ললিপপ! কেতিয়াকৈ নিৰ্মাণ হৈ উঠিব ডুমডুমা বিআৰএম চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ স্থায়ী গৃহ

**ই-সংবাদ, ডুমডুমা, ১০ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ বীৰ বাঘৰ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ কাহিনী কথা শুনিলে চকু কপালত উঠিব। কাৰণ ডুমডুমাবাসীৰ আৱেগ-অনুভূতিৰ সৈতে জড়িত ডুমডুমা বিআৰএম চৰকাৰী আদৰ্শ মহাবিদ্যালয়খনৰ গৃহ নিৰ্মাণ কাৰ্যৰ নামত শাসকীয় বিজেপি চৰকাৰখনে কেৱল ল'ৰা-ধেমালি কৰি অহা বুলি ক'লেও ভুল কোৱা নহ'ব। ডুমডুমাবাসী ৰাইজৰ বহু প্ৰতিক্ষিত এই মহাবিদ্যালয়খন অঞ্চলটোৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া সপোনৰ সাৰ্থক ৰূপ বুলিব পাৰি। সীমিত আসনৰ বাবে নামভৰ্তিৰ সময়ত প্ৰতি বছৰে ডুমডুমা মহাবিদ্যালয়ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হৈ আহিবলগীয়া হোৱাত ছাত্ৰ-ছাত্ৰীয়ে ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰিবলগা হোৱাই নহ'য়, বিভিন্ন ছাত্ৰ তথা দল- সংগঠন আৰু ৰাইজে এইক্ষেত্ৰত বহু আন্দোলন, দাবী-প্ৰতিবাদ জনাই অহাৰ ফলশ্ৰুতিত সেই সময়ৰ শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ কৰ্মদক্ষ, জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই একমাত্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবেই কোনো আন্ত:গাঁথনি নোহোৱাকৈয়ে ২০২০ চনৰ প্ৰথম ভাগতেই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি অধ্যাপকো নিযুক্তি দিয়ে যদিওঁ মহাবিদ্যালয়খনৰ নামকৰণ আৰু ভূমিক লৈ সৃষ্টি হৈছিল তীব্ৰ প্ৰতিবাদ। কাৰণ মহাবিদ্যালয়খন নিৰ্মাণকাৰ্যৰ বাবে পৰ্যাপ্ত ভূমিৰ অভাৱ ঘটিছিল অঞ্চলটোত। চৰকাৰৰ ৰাজহ বিভাগে বিচাকুপি বাইপাছৰ দাঁতিত প্ৰায় ত্ৰিশ বিঘা মাটি মহাবিদ্যালয়খনৰ নামত আৱন্টন দিছিল যদিও উক্ত ভূমিত চাহ জনগোষ্ঠীৰ লোকে দখল কৰি অহাৰ পৰিপ্ৰেক্ষিতত আৰু উক্ত ভূমি শ্ৰমিকসকলে মহাবিদ্যালয়খনৰ গৃহ নিৰ্মাণৰ বাবে এৰি নিদিয়াত উক্ত ভূমিক লৈ চাহ-শ্ৰমিকৰ মাজত সংঘাতৰ সূত্ৰপাত হোৱাত গান্ধী মুণ্ডা নামৰ এজন শ্ৰমিকৰো মৃত্যু হৈছিল, যাক স্থানীয় ৰাইজে শ্বহীদ ঘোষণা কৰিছিল সেইসময়ত। প্ৰতিবাদত সেও মানিবলৈ বাধ্য হোৱা চৰকাৰে ক্ৰমাৎ দিন বাগৰিবলৈ ধৰাত অস্থায়ীৰূপত 'ডুমডুমা মহাবিদ্যালয়' ৰ এটা ছাত্ৰ নিৱাসতেই আৰম্ভ কৰে মহাবিদ্যালয়খনৰ পাঠদান। উক্ত ছাত্ৰ নিবাসটোতেই আৰু লগতে কিছু বৰ্ধিত অংশত জোৰা-টাপলি মাৰি সম্প্ৰতি কোনোমতে মহাবিদ্যালয়খন চলি আহিছে, য'ত ৮৭৭ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰিবলগা হৈছে। ২২ গৰাকী শিক্ষক, এগৰাকী লাইব্ৰেৰীয়ান আৰু অধ্যক্ষকে ধৰি মুঠ ২৪ গৰাকীক চৰকাৰে নিযুক্তি দিলে যদিওঁ আজিলৈকে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তি নহ'ল। বিগত বৰ্ষত এগৰাকী ইংৰাজী বিভাগৰ প্ৰবক্তাই অন্য মহাবিদ্যালয়লৈ বদলি হৈ যোৱাত প্ৰায় এটা বছৰে মহাবিদ্যালয়খনে এগৰাকী ভিজিটিং প্ৰফেছৰৰ যোগেদি খালী পদত পাঠদান চলাই আহিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চলিত বৰ্ষৰ ১২ ফেব্ৰুৱাৰীত ১৫ সংখ্যক বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰশ্নকালীন ঘণ্টাত ডুমডুমা বিধানসভা সমষ্টিৰ বিজেপিৰ বিধায়ক ৰূপেশ গোৱালাৰ প্ৰশ্নৰ উত্তৰত মহাবিদ্যালয়খনৰ প্ৰায় ২৭ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি পৱিত্ৰ সদনৰ মজিয়াত মন্তব্য কৰিছিল। লগতে মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ নিবিদা লাভ কৰা ' নৰ্থ ইষ্ট প্লাণ্টেচন এণ্ড কমাৰচিয়েল প্ৰাইভেট লিমিটেড ' নামৰ কোম্পানীটোৱে ২৭ শতাংশ কাম কৰি কাম বন্ধ কৰাৰ পৰিপ্ৰেক্ষিতত চলিত বৰ্ষৰ যোৱা ২ ফেব্ৰুৱাৰীত উক্ত ঠিকাদাৰী প্ৰতিষ্ঠানটোক কামৰ পৰা টাৰ্মিনেট কৰাৰ কথাও উল্লেখ কৰে।

# ডিৰাক সমন্বয় কাপৰ ফাইনেলত ১১ ষ্টাৰ ডিৰাক

**ই-সংবাদ, কাকপথাৰ, ১০ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত ১ নং সৰু ডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষজন ৰাজ পেঞ্চনাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমি ফাইনেলত ১১ ষ্টাৰ ডিৰাক আৰু লেকাং ইউনাইটেড ফুটবল ক্লাৱৰ মাজত অনুষ্ঠিত হোৱা খেলখনত ১১ ষ্টাৰ ডিৰাকে ৪-২ গলত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। অতি ৰোমাঞ্চকৰ খেলখনত প্ৰথমাৰ্ধতে ১১ ষ্টাৰ ডিৰাকৰ হৈ ৰাহুলে ক্ৰমে ১৮ মিনিট, ২৬ মিনিট আৰু ৩০ মিনিটত তিনিটাকৈ গ'ল স্ক'ৰ কৰাৰ বিপৰিতে লেকাং ইউনাইটেডৰ হৈ ইন্দ্ৰ মৰাণে ২৭ মিনিটত এটা গ'ল স্কৰ কৰে। খেলৰ দ্বিতীয়াৰ্ধৰ ১৫ মিনিটত পুনৰ ১১ ষ্টাৰ ডিৰাকৰ হৈ গুমদই দ্বিতীয়টো গ'ল স্কৰ কৰে আৰু লেকাং ইউনাইটেডৰ হৈ ইন্দ্ৰ মৰাণে ৭ মিনিটত দ্বিতীয়টো গল স্কৰ কৰে যদিও ১১ ষ্টাৰ ডিৰাকৰ হাতত পৰাজয় বৰণ কৰি খেলৰ পৰা বাহিৰ হ'ব লগা হয়। আজিৰ খেলখন পৰিচালনা কৰিছিল সুশান্ত মৰাণে আৰু সহায়ক হিচাপে আছিল প্ৰাণজ্যোতি চুতীয়া আৰু ৰাতুল মৰাণ। চতুৰ্থ সহায়ক হিচাপে আছিল ৰকি চাওৰক। ডিৰাক সমন্বয় কাপ-২০২৪ ৰ আজিৰ খেলখনত জয়ী হৈ ১১ ষ্টাৰ ডিৰাকে অহা ১৪ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা ফাইনেল খেলখনত নৱজ্যোতি এফ.চি.ৰ লগত সমুখ সমৰত নামিব। আয়োজক সমিতিয়ে ফাইনেল মেচখনত সকলো ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# তুলসীবাৰীত ভয়ৰা এফচি দল চূড়ান্ত বিজয়ী

**ই-সংবাদ, ৰঙিয়া, ১০ নৱেম্বৰঃ** ৰঙিয়াৰ তুলসীবাৰী যুৱ সংঘৰ সৌজন্যত স্থানীয় আৰিমত্ত ষ্টেডিয়ামত অনুষ্ঠিত ১৮ বছৰ অনূৰ্ধৰ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলত ভয়ৰা এফচি দলে অসম একাদশ দলক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ী আৰু বিজিত দলক ট্ৰফী সহ নগদ ধন আগবঢ়োৱা হয়। প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ৩৫০১ টকা আৰু ১৮০১ টকা আগবঢ়োৱা হয়।




ভাৰতৰ বিৰুদ্ধে জয় লাভৰ পিছত দক্ষিণ আফ্ৰিকাৰ দুই বেটাৰৰ উল্লাস, দেওবাৰে

## দ্বিতীয় টি-২০ত ৩ উইকেটত জয়ী ঘৰুৱা দল দক্ষিণ আফ্ৰিকা

# জয়ৰ ধাৰাবাহিকতা অক্ষুন্ন ৰখাত ব্যৰ্থ টীম ইণ্ডিয়া

**ডাৰবান, ১০ নৱেম্বৰঃ** প্ৰথমখন টি-২০ত জয়ৰ পিছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দ্বিতীয় এদিনীয়াত জয়ৰ ধাৰাবাহিকতা অক্ষুন্ন ৰখাত ব্যৰ্থ হয় ভাৰত। ভ্ৰমণৰত ভাৰতীয় দলটো আজি দ্বিতীয়খন মেচত ৩ উইকেটত পৰাস্ত হয়। বৰুণ চক্ৰৱৰ্তীয়ে দুৰ্দান্ত বলিঙেৰে প্ৰ'টিয়াজ বাহিনীৰ ৫টাকৈ উইকেট হস্তগত কৰে যদিও সেই প্ৰদৰ্শনেও ভাৰতক জয়ৰ সোৱাদ দিবলৈ সমৰ্থ নহ'ল। টছত জয়ী হৈ ফিল্ডিঙৰ সিদ্ধান্ত লোৱা ঘৰুৱা দলটোৱে বলিঙেৰে ভাৰতক মাত্ৰ ১২৪ ৰানতে বান্ধি ৰাখিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ সৰ্বাধিক ৩৯, অক্ষৰ পেটেলে ২৭ আৰু তিলক বাৰ্মাই ২০ ৰান স্ক'ৰ কৰাৰ বাদে আটাইকেইজন খেলুৱৈ একপ্ৰকাৰ ব্যৰ্থ হয়। আৰম্ভণিতে ভাৰতীয় দলটো বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় যদিও এই তিনিগৰাকী বেটাৰৰ সহায়ত কোনোমতে এক সন্মানজনক ইনিংছত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ হৈ বলিং কৰা এজন বলাৰৰ বাদে ৬জন বলাৰে একোটাকৈ উইকেট হস্তগত কৰে। ইয়াৰ পিছত ১২৫ ৰানৰ বিজয় লক্ষ্য আগত লৈ ঘৰুৱা দলটোৱো সঘনে উইকেটৰ পতন ঘটাত ভাৰতে জয়ৰ আশা দেখিবলৈ লয় যদিও সেই আশা দীঘলীয়া হ'বলৈ নাপালে। ত্ৰিষ্টান ষ্টাবছে অপৰাজিত ৪৭ ৰান স্ক'ৰ কৰি উইকেটৰ এটা মূৰত স্থিৰে থাকি ১৯ অভাৰতে হাতত তিনিটা উইকেট অক্ষুন্ন ৰাখি ১২৮ ৰান সংগ্ৰহ কৰি দলক জয়ৰ সোৱাদ দিয়ে। ভাৰতৰ হৈ বাকী দুটা উইকেট লাভ কৰে ৰবি বিষ্ণয় আৰু অৰ্শদীপ সিঙে। খেলখনত প্লেয়াৰ অব দ্য মেচৰ সন্মান লাভ কৰে দলৰ জয়ত মুখ্য ভূমিকা পালন কৰা ষ্টাবছে। এই জয়েৰে ৪খন টি-২০ মেচৰ শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিবলৈ সমৰ্থ হয় ঘৰুৱা দলটো। শৃংখলাৰ তৃতীয়খন মেচ ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব।


মৰিগাঁৱত চলি থকা সদৌ অসম আন্তঃজিলা মহিলা কাবাডী চাবলৈ দৰ্শকৰ ভিৰ, দেওবাৰে নিশা

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি